# অপৰাজেয়

*(ড° ভূপেন হাজৰিকাদেৱলৈ শ্ৰদ্ধাঞ্জলি)*

বসন্ত কুমাৰ দত্ত
প্ৰাক্তন অধ্যক্ষ



তোমাৰ মৃত্যু অপৰাজেয়
অভিধান শুদা হ'ল
শব্দ-অলংকাৰৰ একোৱেই বাকী নাথাকিল
সুৰদি শব্দবোৰে চাপলি মেলিলে তোমাৰ কাষলে'
তোমাৰ অপাৰ্থিৱ উজ্জ্বল জ্যোতিৰ কাষত
ম্লান পৰি উভতি আহিল শব্দৰ অলংকাৰ
লজ্জি ত হ'ল তোমাক জুখিব খুজি
তুমি অপৰাজেয়
মৃত্যুৰ মাজেৰে কাটি গ'লা আপোন অমল ভাস্কৰ্য
যাযাবৰী জীৱনৰ খহটা শিলত
এখন নতুন সমাজ গঢ়াৰ পণ কৰি পথে-প্ৰান্তৰে
নগৰে-চহৰে কণ্ঠ শোণিত নিগৰাই
জীৱনজুৰি মানুহৰ জয়গীত গালা
কিমান পালা নেপালা কিমান
সময়ত নেৰাখিলা তাৰ যথাৰ্থ হিচাপ
ৰোগাক্ৰান্ত মৌন মুখৰ করুণ চাৱনি
মুখৰ হৈ উঠিছিল
ক'ব খুজিছিলা—
ক'বলৈ থাকি গ'ল বহু কথা
বৈ গ'ল বহু কাম
বুকুৰ মাজত হাহাকাৰ কৰি ৰ'ল অজস্ৰ গীত
তোমাৰ মৃত্যুত ম্ৰিয়মান পৃথিৱীৰ
হেজাৰ লক্ষজন
সামৰণিত সাজি গ'লা ঈৰ্ষণীয় অভিলেখ
ৰাখি গ'লা মানুহৰ বুকুৱে বুকুৱে অনৱদ্য
বিমূৰ্ত দুৰ্লভ ছবি
কি নাম ৰাখিম তোমাৰ!
বিচাৰি ফুৰিছোঁ নাম
যি নাম কোনোৱে কেতিয়াও কাৰো বাবে
ৰখা নাই জনসমাজত
আজি তেনেই দুৰ্বল সমস্ত শব্দৰ সম্ভাৰ
কৰিব লাগিব নতুন শব্দৰ সন্ধান তোমাৰ বাবে
কেৱল তোমাৰ বাবে
আপাততঃ হৈ থাকা অনুপম
এক আকাশী অনুভৱ
ধাৰ কৰি ক'ব খুজিছোঁ—
"তোমাৰ কীৰ্তিৰ চেয়ে তুমি যে মহৎ"।

# আমাৰ গাঁও

বিশ্বজিৎ শালৈ
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা শাখা)

শুৱনি আমাৰ গাঁওখনি অতি
শুৱনি ঘৰেৰে ভৰা,
ঘৰৰ ওপৰত এণ্টেনাবোৰ
জিলিকে আঁতৰৰপৰা।
চালত কোমোৰা নাই জিকা-ভোল
ভঁৰালত নাই ধান,
হালত ধৰি খেতি কৰিলে
নাথাকে সমাজত মান।
গছৰ ডালত শুৱনি চৰায়ে
শুৱলা সংগীত নাগায়,
ৰেডিঅ'-ডেকে প্ৰতি ঘৰকে
সুমধুৰ গীত শুনায়।
সকলোৰে ঘৰত ডেকৰ মাতত
শব্দ প্ৰদূষণ হ'ল,
গছৰ ডালৰ শুৱনি চৰায়ো
গাঁও এৰি গুচি গ'ল।
ঘৰে ঘৰে আছে চুপতা-চুপতি
আছে বিয়নি মেল,
ঘৰে ঘৰে নাই পঢ়াৰ পৰিৱেশ
সেয়ে পৰীক্ষাত ফেল।●



# জীৱন মানেই সংগ্ৰাম

খনাৰাণী বড়ো
উঃ মাঃ দ্বিতীয় বৰ্ষ



জীৱন মানেই সংগ্ৰাম
সংগ্ৰাম নকৰিলে তুমি সুখ পাবা জানো?
জীয়াই থাকিবলৈ হ'লে তুমি
সংগ্ৰাম কৰিবই লাগিব।
আকাশখন চুই চাবলৈ হ'লে
তুমি উচ্চ শিখৰলৈ যাবই লাগিব।
আশাবোৰ পানী হ'বলৈতো নোৱাৰা দিব!
সেইবোৰ পূৰাবলৈ হ'লে
সংগ্ৰাম কৰিবই লাগিব।●

# গীত

দিলীপ দাস
প্ৰাক্তন মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ

হে নতুন নতুন
তোমাক স্বাগতম
আমি পুৰণি
যাচিছোঁ কৰণি
ওলগৰ
আদৰৰ
তুমি আমি ভাই-ভনী
একেই ঘৰৰ
আমাৰ মাজত থাকক কেৱল
প্ৰীতিৰ পৰিচয়।
নতুন তুমি
পুৰণি আমি
হাতত হাত ধৰি
আহা যাওঁ আগবাঢ়ি
আমাৰ সমুখত আছে পৰি
সেন্দূৰী আলি।
আমাক মাতে বিশাল লক্ষ্যই
হাত বাউলি।

# গীত

ভাৰত চৌধুৰী
সহায়ক, গ্ৰন্থাগাৰ

আই অসমী আই
তোমাৰ মান তুলনা নাই
তোমাক জনাওঁ প্ৰণাম।

তোমাৰ বাবে মোমাইক কাটিলে
তেওঁৰ নাম বীৰ লাচিত
সতী জয়মতী কনক ভোগেশ্বৰীৰ ত্যাগ
জগত বিদ্যমান
ধন্য আই তোমাৰ অসমী নাম।

তুমি আছা বুলি
আমিও আছোঁ আই
এই কথা কওঁ শতবাৰ
অজান-পাতকীৰ চক্ৰান্তত
আমি কৰোঁ হাহাকাৰ
সকলো যাতনা নিৰৱে সহিছা
ধন্য আই তোমাৰ অসমী নাম।

# নিষিদ্ধ দুই বৰ্ণিল শিল্পীৰ সৃষ্টিকৰ্মৰ নিন্দা আৰু বন্দনা

ড° কমলেশ্বৰ ঠাকুৰীয়া
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

নিজৰ সৃষ্টিকৰ্মৰ বাবে জীৱন্ত কালতে তীব্ৰ বিতৰ্কিত হৈ বিশেষকৈ প্ৰশাসনৰ ৰোষত পৰি কৰুণভাৱে স্বদেশ ত্যাগ কৰিবলগীয়া হোৱা শিল্পী-সাহিত্যিকৰ সংখ্যা কম নহয়। কিন্তু সেই সৃষ্টিকৰ্মৰ বাবে ৰোষত পৰি প্ৰধানকৈ মৌলবাদীৰ মৃত্যু-ফটোৱাৰ ত্ৰাসত দেশ এৰি বিদেশত আশ্ৰয় গ্ৰহণ কৰিবলগীয়া শিল্পী-সাহিত্যিকৰ সংখ্যা তেনেই নগণ্য। মৃত্যু-শুলিয়া শিৰত লৈ নিৰাপদ আশ্ৰয় বিচাৰি অন্য দেশৰ নাগৰিকত্ব গ্ৰহণ কৰা ভাৰতীয় উপমহাদেশ দুই দিগ্‌গজ শিল্পী হ'ল প্ৰসিদ্ধ চিত্ৰশিল্পী মকবুল ফিদা হুছেইন, চমুকৈ এম. এফ. হুছেইন আৰু কথাশিল্পী তছলিমা নাছৰিণ। দেশ আৰু শিল্পৰ মাধ্যম ভিন্ন হ'লেও দুয়োগৰাকী শিল্পীৰ জীৱনচৰ্যা আৰু কৃতকৰ্মৰ মাজত আমোদজনক সাদৃশ্য দেখিবলৈ পোৱা যায়।



এম. এফ. হুছেইনৰ জন্ম ভাৰতবৰ্ষৰ মহাৰাষ্ট্ৰ জিলাৰ গান্ধাৰপুৰত আৰু তছলিমাৰ জন্ম বাংলাদেশৰ মৈমন সিংহ জিলাৰ মৈমন সিংহত। শৈশৱকালৰ বিচিত্ৰ জীৱন-অভিজ্ঞতাই দুয়োগৰাকী শিল্পীৰ জীৱন পৰিপুষ্ট কৰি তোলে। শিল্প জগতত প্ৰৱেশ দুয়ো শিল্পীৰে কবিতাৰ মাজেদি। এম. এফ. হুছেইনৰ আছিল উৰ্দু আৰু ইংৰাজী ভাষাত দখল। আনহাতে তছলিমা নাছৰিণ আছিল এগৰাকী চিকিৎসক। পৰৱৰ্তী কালত হুছেইন চিত্ৰশিল্পী আৰু তছলিমা নাছৰিণ সাহিত্যিক হিচাপে জগতজোৰা খ্যাতি লাভ কৰে।

দীৰ্ঘদেহী শিল্পী দুগৰাকী প্ৰচুৰ বিতৰ্কিত লগতে প্ৰচাৰমুখীও। ৰূপালী চুলি, এমুখ শুভ্ৰ ডাড়ি, হাতত দীঘল ব্ৰাছসহ শিল্পী এম. এফ. হুছেইনক প্ৰথম দৰ্শনতে কোনো মহাকাব্যিক চলচ্চিত্ৰৰ অভিনয় শেষ কৰি ওলাই অহা অভিনেতা যেন লাগে। স্বৰূপাৰ্থত তেওঁৰ আৱেদনো আছিল এগৰাকী জনপ্ৰিয় বলীউডৰ চলচ্চিত্ৰ তাৰকাৰ দৰেই। খামখেয়ালি জীৱন যাপন কৰা দৃপ্তভংগীৰ শিল্পগৰাকী চলা-ফিৰা কৰে নগ্ন ভৰিৰে বৈশিষ্ট্যপূৰ্ণ ষ্টাইলত অথচ ভ্ৰমণ কৰে আকাশচুম্বী মূল্যৰ গাড়ীত, সেয়াও নিজাকৈ কিনি। তেওঁ পৰিধান কৰা বহু মূল্যৰ বস্ত্ৰ তৈয়াৰ কৰে বিখ্যাত বস্ত্ৰ নিৰ্মাতাই। জীৱন তেওঁৰ যাযাবৰী; কিন্তু বেছিভাগ থাকে বিলাসী হোটেলত। আনহাতে তছলিমা নাছৰিণে দাঁত এটা উভালি পেলোৱাৰ পিছত মাকলৈ লিখিছে যে, তেওঁৰ হেনো আগৰ দৰে হাঁহিত মুকুতা সৰি নপৰে। ৰূপহী এই অগ্নিকন্যাৰ সন্দৰ্ভত বাংলাৰ বৈজ্ঞানিক ড° পুৰবী বসুৱে তীৰ্যক মন্তব্য ৰাখিছে — তছলিমা

ধুনীয়া বাবেহে হেনো লেখক হিচাপে ইমান খ্যাতি। পিন্ধন-উৰণত নাই অলপো চখ। প্ৰয়োজনত ককায়েকহঁতৰ অসামঞ্জস্যপূৰ্ণ পেণ্ট-চাৰ্ট পিন্ধিয়ে বিদেশো ভ্ৰমণ কৰে। দেশ বিতাড়নৰ পিছত তেওঁৰ বিভিন্ন ৰাষ্ট্ৰৰ ৰাজ-আতিথ্যত এক অকল্পনীয় সচ্ছল জীৱন আৰম্ভ হয়। পৃথিৱীৰ ইখনৰ পিছত সিখন দেশৰ আমন্ত্ৰণ ৰক্ষা কৰিবলৈ গৈ তেওঁৰ গৃহ যাপনৰ সলনি আৰম্ভ হয় আকাশ যাপন। তৃতীয় বিশ্বৰ অভাৱ-অনাটনে জুৰুলা কৰা অনুন্নত বাংলাদেশৰ বিদ্ৰোহী কন্যা তছলিমা নাছৰিণক অপৰ্যাপ্ত যশ-খ্যাতি, বিলাশ-প্ৰাচুৰ্যই জুমুৰি দি ধৰে। আনকি তাৰপৰা বাৰে বাৰে পৰিত্ৰাণ বিচাৰি তেওঁ ব্যৰ্থ হৈছে। জনপ্ৰিয়তাৰ দিশেৰে তছলিমা নাছৰিণ এগৰাকী বলীউডৰ চিত্ৰতাৰকাতো উধৰ্বত। বিদেশৰ ভূমি স্পৰ্শ কৰাৰেপৰা অনেক শীৰ্ষ নেতা, ৰাষ্ট্ৰনেতা তথা অসংখ্য গুণমুগ্ধ ব্যক্তিয়ে তেওঁক এবাৰ লগ পাবলৈ ব্যাকুল হৈ পৰে। নিজ দেশৰ উপৰিও পৃথিৱীৰ চাৰিওফালে তছলিমা নাছৰিণৰ লেখনীৰ আছে অসংখ্য গুণগ্ৰাহী পাঠক।

ভিনচেণ্ট ভেনগগ, পলগঁগা, চেজান আদি ইম্প্ৰেছনিষ্ট শিল্পীসকলৰ দৰে বিসংগতিপূৰ্ণ জীৱন পৰিক্ৰমাত অভ্যস্ত শিল্পী এম. এফ. হুছেইনে কুৰি বছৰ বয়সত বোম্বাইৰ গ্ৰেণ্ড ৰোডৰ এক অখ্যাত গলিত থাকিবলৈ লয়, য'ৰ বাসিন্দাসকল আছিল দেহোপজীৱিনী। এসময়ত দৰ্জী কাম কৰা শিল্পীগৰাকী কেতিয়াবা ফুটপাথতো থাকিছিল। এনেদৰে ফুটপাথতত জীৱন নিৰ্বাহ কৰা মেহবুবা বিবি নামৰ মহিলা এজনীক হুছেইনে নিজ ঘৰত থাকিবলৈ দিয়ে। পিছত মহিলাজনীৰ জীয়েক ফজিলাক বিয়া কৰাই তেওঁ ছয়টি সন্তানৰ পিতৃ হয়। তছলিমা নাছৰিণৰো স্বদেশত থকা কালৰ জীৱন অভিজ্ঞতাও আছিল অতি চাঞ্চল্যকৰ, অতি ৰোমাঞ্চকৰ, বৰ্ণবহুল। দেশৰ অনেক প্ৰখ্যাত কবি-সাহিত্যিক-বুদ্ধিজীৱীৰ জীৱন ৰহস্য উন্মুক্ত কৰি এক প্ৰকাৰ ধুমুহাৰ সৃষ্টি কৰিছিল। আনকি বংগৰ প্ৰখ্যাত সাহিত্যিক সুনীল গংগোপাধ্যায়ো তছলিমা নাছৰিণৰ তীৰ্যক অভিঘাতৰপৰা সাৰি যোৱা নাই। ধৰ্মীয় মৌলবাদ তথা পুৰুষতন্ত্ৰৰ বিৰুদ্ধে লেখনীৰে জেহাদ ঘোষণা কৰি তেওঁ নিজৰ জীৱন বিপৰ্যস্ত কৰি তুলিছে। এবাৰ-দুবাৰ নহয়, তিনিবাৰকৈ বৈবাহিক জীৱন আৰম্ভ কৰি তেওঁ প্ৰতিবাৰে ব্যৰ্থ হৈ জীৱনৰ একাকীকত্বক বৰণ কৰিবলৈ বাধ্য হৈছে।



মানৱদৰদী শিল্পী হুছেইন মূলতঃ অবয়বী (Figurative) চিত্ৰশিল্পী। তেওঁৰ মতে ভাৰতবৰ্ষৰ দৰে জনবহুল দেশ এখনত অবয়বী চিত্ৰকৰ হোৱাৰ বিকল্প নাই। য'ত চাৰিওফালে মানুহ আৰু মানুহ, তাক অৱজ্ঞা কৰা সম্ভৱ নহয়। তেওঁৰ প্ৰিয় বিষয়— নাৰী, ঘোঁৰা, মহাভাৰতৰ চৰিত্ৰ আদি। জন্মৰ তিনি মাহ পিছতে হুছেইন মাতৃহাৰা হৈছিল। হয়তো মাকৰ মুখ নেদেখাৰ বাবেই তেওঁ অংকন কৰা নাৰীমূৰ্তিত মুখ সদায়ে ঢাকাকৈ ৰাখিছিল। নাৰী-ঘোঁৰা আদি তেওঁৰ ছবিৰ ৰূপাত্মক প্ৰতীক; যি মানৱ জীৱনৰ বিপজ্জনক অৱস্থাৰ কথা সততে স্মৰণ কৰায়। হুছেইনৰ ছবিয়ে দাঙি ধৰে পৰিৱৰ্তনশীল ভাৰতীয় সমাজ জীৱনৰ এক বিধ্বস্ত ৰূপ। তেওঁ সমগ্ৰ জীৱনজুৰি ভাৰতীয় সাংস্কৃতিক জীৱনৰ মহাকাব্য, হিন্দু মঠ-মন্দিৰ, চিত্ৰ-ভাস্কৰ্য, নৃত্য, হিন্দু দেৱ-দেৱী আদিৰপৰাই শিল্পৰস আহৰণ কৰি চিত্ৰ ৰূপত জীৱন-নিৰ্যাস ব্যক্ত কৰিছিল। পৰম প্ৰত্যয়েৰে চিত্ৰৰ মাধ্যমত ভাৰতীয় আত্মাক আধুনিক ৰীতিৰে উজ্জীৱিত কৰি পৃথিৱীৰ মাজত এখন সুকীয়া আসন দিবলৈ সমৰ্থ হৈছিল। প্ৰাচীন মহাকাব্যৰ ধ্যান-ধাৰণা আগত ৰাখি ফিগাৰেটিভ এবষ্ট্ৰেক্ট জগতত নব্যভাৰতীয় আধুনিক শিল্পকলাৰ এখন পৃথক জগত সৃষ্টি কৰি শিল্পীগৰাকীয়ে বিশ্বতেই কৌতূহলৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। আধুনিক চিত্ৰজগতৰ বিস্ময় পাবলো পিকাচোৰ সৰ্বগ্ৰাসী কিউবিজমৰ

অনুৰূপত হুছেইনে নিজস্ব এখন পৃথিৱীৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। আনহাতে নাস্তিকতাবাদী অথচ মানৱতাবাদী কথাশিল্পী তছলিমা নাছৰিণৰ সৃষ্টিৰ মূল বিষয় তেওঁ নিজেই। জীৱনৰ বিচিত্ৰ অভিজ্ঞতা তেওঁ লেখনীৰ মাজেৰে প্ৰকাশ কৰি বৰণীয় ব্যক্তিত্বৰ অধিকাৰী হৈছে। গল্প, কবিতা, প্ৰবন্ধ, উপন্যাস সকলোৰে মূল উপজীব্য তেওঁ নিজেই। তেওঁৰ চৌদিশৰ জগতখন তেওঁ যিদৰে দেখিছে, যিদৰে অনুভৱ কৰিছে, তাক তেনেদৰেই ব্যক্ত কৰিছে। হিন্দু, বৌদ্ধ, খ্ৰীষ্টান আদি বাংলাৰ সংখ্যালঘু সম্প্ৰদায়ৰ বিপৰ্যস্ত ৰূপ তেওঁৰ লিখনিত উজ্জীৱিত হৈ উঠিছে। তেওঁৰ বহু চৰ্চিত উপন্যাস 'লজ্জা' ভাৰতত বাবৰি মছজিদ বিধ্বংসৰ সময়ত বাংলাদেশত উদ্ভূত হিন্দু বিদ্বেষী ঘটনা সন্নিৱিষ্ট তথ্যভিত্তিক উপন্যাস। 'ফৰাচী প্ৰেমিক' আৰু 'ফেৰা' উপন্যাস দুই হিন্দু নাৰীৰ অতৃপ্ত জীৱন-বাসনাৰ মৰ্মস্পৰ্শী কাহিনী। মাথোঁ সাহিত্য জগততে নহয়, বাস্তৱ জীৱনতো তছলিমাৰ সংখ্যালঘুপ্ৰীতি প্ৰশংসাৰ ঊৰ্ধৱত। তছলিমাই ভনীয়েক ইয়াছমিনৰ ছোৱালীৰ নাম দিছে ভালোবাসা আৰু ককায়েক কামানৰ ল'ৰাৰ নাম ৰাখিছে সুহৃদ।

পৃথিৱীৰ বিভিন্ন দেশত চিত্ৰ প্ৰদৰ্শনী পাতি এম. এফ. হুছেইনে বিশ্বজোৰা খ্যাতি লাভ কৰে। পিচলৈ চাওপাওলৰ' ৰায়েনিয়েলত আধুনিক কালৰ শ্ৰেষ্ঠ চিত্ৰশিল্পী পিকাচোৰ সৈতে যুটীয়াভাৱে চিত্ৰ প্ৰদৰ্শনীৰ বাবে নিমন্ত্ৰণ লাভ কৰে। তেওঁৰ আৰম্ভণিতে একোখন ছবিৰ মূল্য নিৰ্ধাৰিত হৈছিল চল্লিশৰপৰা এশ টকাত। এতিয়া বিশ্বৰ নিলাম বজাৰত হুছেইনৰ একোখন চিত্ৰকৰ্মৰ মূল্য কেইবা কোটি টকা। সাম্প্ৰতিক কালত তেওঁৰ ছবিৰ দাম বৃদ্ধি পাইছে পঞ্চাশ শতাংশ। শেহতীয়াভাৱে তেওঁৰ সৰু কেনভাছ এখন বিক্ৰী হৈছে ৮৩ লাখ টকাত, 'টাইগাৰ এণ্ড লেডী' বিক্ৰী হৈছে এক কোটি টকাত আৰু 'বেটল্ অব গংগা যমুনা' শীৰ্ষক চিত্ৰখন বিক্ৰী হৈছে ২.৩২ কোটি টকাত। জীৱনকালত হুছেইনে ষাঠি হাজাৰখন চিত্ৰ অংকন কৰিছে। তেওঁ বলীউডৰ অভিনেত্ৰী মাধুৰী দীক্ষিতৰ সৌন্দৰ্যত মুগ্ধ হৈ 'গজগামিনী' আৰু টাবুক লৈ 'মিনাক্ষি ঃ আ টেল অৱ দ্যা চিটিজ' নামৰ দুখন চলচ্চিত্ৰও নিৰ্মাণ কৰিছে। বাৰ্লিন বোলছবি মহোৎসৱত "থ্ৰ' দি আইজ অৱ এ পেইণ্টাৰ" নামৰ তথ্যচিত্ৰখনৰ বাবে বীয়েৰ বঁটা লাভ কৰে। সৃষ্টিকৰ্মৰ বাবে পদ্মশ্ৰী, পদ্মভূষণ উপাধি লাভ কৰা হুছেইন ৰাজ্যসভাৰো সন্মানীয় সদস্য আছিল।


লেখক জীৱনৰ আৰম্ভণিতে প্ৰচণ্ড আলোড়নৰ সৃষ্টি কৰা তছলিমা নাছৰিণৰ জীৱনৰ গতি সলনি কৰি দিয়ে 'লজ্জা'ই। ইংৰাজী, ফৰাচী, ইটালীয়, স্পেনীয়, জাৰ্মানসহ পৃথিৱীৰ ত্ৰিশটা ভাষালৈ অনূদিত হৈছে তছলিমাৰ গ্ৰন্থসম্ভাৰ। পশ্চিমবংগৰ ন'বেল আনন্দ পুৰস্কাৰকে আদি কৰি চাখাৰভ, ইউনেস্কো, এডিট দ্যা নাস্ত, কুৰ্ট টুখোলস্কি, আৰউইন ফিচাৰ, ফ্ৰি থট হিৰোইন আদি অসংখ্য পুৰস্কাৰৰ উপৰিও বেলজিয়ামৰ গেণ্ট ইউনিভাৰচিটিয়ে ডক্টৰেট উপাধি প্ৰদান কৰে। সন্মিলিত জাতিসংঘৰ ট্ৰেভেল ডকুমেণ্টপ্ৰাপ্ত এই বৰেণ্য লেখিকা আমেৰিকাৰ হিউম্যেনিষ্ট একাডেমিৰ হিউম্যেনিষ্ট লৰিয়েট।

যশ আৰু প্ৰাচুৰ্যৰ গগন স্পৰ্শ কৰা দুই শিল্পীৰ জীৱনলৈ সমান্তৰালভাৱে নামি আহিছে লাঞ্ছনা-গঞ্জনাৰ নজিৰবিহীন অভিসম্পাত। ভাৰতৰ পিকাচোৰূপে খ্যাত হুছেইনে এলানি ভাৰতীয় দেৱ-দেৱীৰ নগ্ন ছবি অংকন কৰিছে। অৰ্ধ উলংগ শিৱ, নগ্ন সৰস্বতীৰ ছবি আঁকি তেওঁ শিল্পী নহয়, কঁচাই নাম পাইছিল। 'মাদাৰ ইণ্ডিয়া' নামৰ ছবিখনত এগৰাকী নগ্ন মহিলাই ভাৰতৰ মেপখন আৱৰি আছে। চমক সৃষ্টি কৰি ভালপোৱা হুছেইনে এবাৰ নিজৰ গাড়ীখনৰ উপৰিভাগৰ সৰ্বত্ৰ নগ্ন গোপী আৰু শ্ৰীকৃষ্ণৰ চিত্ৰ আঁকি প্ৰচুৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ভাৰতীয় দেৱ-দেৱী উলংগ ৰূপত চিত্ৰিত কৰি ভাৰতীয় সংস্কৃতিক বিকৃত ৰূপ দিয়া বুলি গোড়া হিন্দু সমাজে হুছেইনক গৰিহণা দিবলৈ ধৰে। বজৰং দলৰ উত্তেজিৎ সদস্যই তেওঁৰ ঘৰ আক্ৰমণ কৰে। বহু ছবি নষ্ট কৰিও পেলোৱা হ'ল। লণ্ডনত আয়োজিত একক চিত্ৰ প্ৰদৰ্শনীত বন্ধ কৰি দিয়া হয়। এনেকে তেওঁৰ এনে কাৰ্যৰ বাবে মৃত্যুদণ্ড হ'ব লাগে বুলি ভাবিলে। অৱশেষত মৃত্যু ভাবুকি আৰু আদালতৰ হেঁচাত তেওঁ স্বেচ্ছানিৰ্বাসন বাছি ল'বলগা হয়। ভাৰত চৰকাৰৰ সকলো আশ্বাস নেওচা দি জীৱনজুৰি স্বমত প্ৰতিষ্ঠাৰ বাবে নিৰৱচ্ছিন্ন সংগ্ৰাম কৰা এম. এফ. হুছেইনে এক গণতান্ত্ৰিক দেশ ত্যাগ কৰি ৰাজতান্ত্ৰিক ৰাষ্ট্ৰ কাটাৰৰ আশ্ৰয় লয়। ইং ২০১১ চনৰ ৯ জুন তাৰিখে এই বিশ্ববৰেণ্য চিত্ৰশিল্পীগৰাকীয়ে ইহলীলা সম্বৰণ কৰে। চিত্ৰকৰ্মৰ ৰীতি, সংখ্যা, বয়স, জীৱনৰ বিচিত্ৰ সফলতাৰে বিধৌত সঁচা অৰ্থত ভাৰতৰ পিকাচো হুছেইন একক আৰু অনন্য।

চিকিৎসকৰ চৰকাৰী চাকৰি ত্যাগ কৰি বাংলাৰ বিভিন্ন কাকত-পত্ৰিকাত স্তম্ভ লেখক হিচাপে আত্মপ্ৰকাশ কৰাৰপৰাই তছলিমা নাছৰিণৰ খ্যাতি আৰু কুখ্যাতিৰে সমগ্ৰ দেশ ৰজনজনাই যায়। পুৰুষতন্ত্ৰ আৰু ধৰ্মীয় মৌলবাদ সম্পৰ্কে ক্ষুৰধাৰ লিখনি তথা বাংলাদেশৰ দৰে ৰক্ষণশীল সমাজ ব্যৱস্থাত উন্মুক্ত জীৱন যাপন প্ৰণালীয়ে অনেকক মুগ্ধ আৰু বিস্ময়াভিভূত কৰি তোলে। তেওঁ 'নিৰ্বাচিত কলাম' আৰু 'আমাৰ মেয়ে বেলা'ৰ বাবে দুবাৰকৈ আনন্দ পুৰস্কাৰ লাভ কৰাটোকো বাংলাৰ লেখক সমাজে সহজভাৱে

গ্ৰহণ কৰিব নোৱাৰিলে। তেওঁৰ 'লজ্জা' নামৰ উপন্যাসখনৰ বাবে দেশৰ বাহিৰে-ভিতৰে অকল্পনীয় উদগ্ৰীৰতাৰ সৃষ্টি কৰে। উপন্যাসখন বাংলাদেশ চৰকাৰে নিষিদ্ধ ঘোষণা কৰে। লগে লগে উপন্যাসখনক লৈ ক'লা বজাৰৰ সৃষ্টি হৈ হৈ-চৈ লাগে। তছলিমা নাছৰিণৰ আত্মজীৱনীমূলক গ্ৰন্থ 'আমাৰ মেয়ে বেলা'ৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ খণ্ড 'উতল হাওবা', 'দ্বিখণ্ডিত' আৰু 'সেইসব অন্ধকাৰ' গ্ৰন্থকেইখনে বাংলাৰ সমাজ জীৱনত তুমুল আলোড়নৰ সৃষ্টি কৰে। আটাইকেইখন গ্ৰন্থ চৰকাৰে নিষিদ্ধ কৰে। গোড়া মৌলবাদী, পুৰুষতান্ত্ৰিক সমাজ তথা সমগ্ৰ ৰাষ্ট্ৰ ব্যৱস্থাই তেওঁৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। লেখিকাগৰাকীৰ বিৰুদ্ধে মৃত্যু ফটোৱা জাৰি কৰি মূৰৰ মূল্য পৰ্যন্ত নিৰ্ধাৰণ কৰা হয়। লগতে ৰুজু কৰা হয় কোটি কোটি টকাৰ কেচ-মামলা, জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা। মুৰতাদ তছলিমা নাছৰিণৰ বন্দিত্ব আৰু ফাঁচিৰ দাবীত দেশৰ তৌহিদি জনতাই সমগ্ৰ দেশ বন্ধ, হৰতাল, লংমাৰ্চ আদিৰে উত্তাল কৰি ৰাখে। দেশৰ বিশাল উন্মত্ত জিংঘাসু মৌলবাদী লোক আৰু পুলিচ-প্ৰশাসনৰ চকুত ধূলি দি তেওঁ কেইগৰাকীমানী গুণী-জ্ঞানী শিল্পী-সাহিত্যিকৰ সহযোগত ঢাকা চহৰতে দুমাহ কাল আত্মগোপন কৰি থাকে। বিশ্বৰ কেইবাখনো দেশে বাংলাদেশৰ ওচৰত তছলিমাৰ নিৰাপদ মুক্তিৰ দাবী কৰে। তদানীন্তন আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিটনেও এই ক্ষেত্ৰত বিশেষ উদ্যোগ লয়। ফলস্বৰূপে খালেদা জিয়া চৰকাৰে আপোচহীন এই অগ্নিকন্যাক বিপদমুক্তভাৱে দেশ ত্যাগ কৰাৰ ব্যৱস্থা কৰিবলৈ বাধ্য হয়।

জন্মসূত্ৰে এম. এফ. হুছেইন ভাৰতীয়; জীৱনৰ বিয়লি বেলাত তেওঁ গ্ৰহণ কৰে কাটাৰৰ নাগৰিকত্ব আৰু মৃত্যুবৰণ কৰে লণ্ডনত। মৌলবাদীৰ সকলো প্ৰকাৰ হুংকাৰৰ বিপৰীতে ভাৰত চৰকাৰে হুছেইনক সকলো ধৰণৰ নিৰাপত্তাৰ আশ্বাস দিয়ে। তৎসত্ত্বেও তেওঁ ভাৰতীয় নাগৰিকত্ব হেলাৰঙে প্ৰত্যাখ্যান কৰি পাছপোৰ্ট পৰ্যন্ত ওভতাই দিয়ে আৰু মুছলিম ৰাষ্ট্ৰ কাটাৰৰ আশ্ৰয় গ্ৰহণ কৰে। অন্যহাতে গভীৰ নিশা হাইকোৰ্ট আৰু চৰকাৰৰ অলিখিত চুক্তি অনুসৰি তছলিমা নাছৰিণক স্বদেশ ত্যাগ কৰিবলৈ বাধ্য কৰা হয়। আনকি মাকৰ মৃত্যুকালত দেশত প্ৰৱেশ কৰা তছলিমাক চৰকাৰে জোৰ-জবৰদস্তিকৈ দেশৰপৰা বাহিৰ কৰি দিয়ে। তেওঁ সম্প্ৰতি চুইডেনৰ নাগৰিক, থাকে তিনি মহাদেশৰ তিনিখন চহৰত —নিউয়ৰ্ক, ষ্টকহম আৰু কলকাতাত। কলকাতা তেওঁৰ দ্বিতীয় মাতৃভূমি। ইচ্ছা কৰিলেই পৃথিৱীৰ যি কোনো উন্নত



ৰাষ্ট্ৰৰ ৰাজ আতিথ্যত বিলাসী জীৱন কটাব পৰা তছলিমা নাছৰিণৰ অন্তৰাত্মা কিন্তু সদায়ে উদ্বেলিত হৈ থাকে স্বদেশ-স্বজাতিৰ বাবে। তেওঁ মানুহ হৈ নোৱাৰিলেও চৰাই হৈ হ'লেও স্বদেশলৈ যোৱাৰ সপোন দেখে—

*'ব্ৰহ্মাপুত্ৰ শুনা, মই উভতিম।*
*শুনা শালবন বিহাৰ, মহাস্থানগড়, সীতাকুণ্ড পাহাৰ —মই উভতিম।*
*যদি মানুহ হৈ নোৱাৰোঁ, চৰাই হৈ হ'লেও উভতিম এদিন।'*

—তবু ফিৰব

তছলিমা নাছৰিণে আশা কৰে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শেখ হাছিনাই মাতৃভূমি বিতাড়িত এগৰাকী নাৰীৰ অন্তঃস্থলৰ মৰ্মবেদনা উপলব্ধি কৰিব আৰু তেওঁৰ বিৰুদ্ধে থকা সকলো বাধা-নিষেধ প্ৰত্যাহাৰ কৰি স্বদেশ-স্বপৰিজনৰ মাজলৈ উভতি যোৱাৰ অনুমতি প্ৰদান কৰিব। ❖❖❖

# ছাবমেৰিন আৰু অৰিহন্ত ঃ ভাৰতৰ প্ৰথম পাৰমাণৱিক ছাবমেৰিন


পবিত্ৰ কৈৱৰ্ত
প্ৰাক্তন ছাত্ৰ

ইতিহাসৰ পম খেদি আমি গম পাওঁ যে, ছাবমেৰিনৰ নক্সা পোন প্ৰথমে প্ৰস্তুত কৰিছিল ১৫২৫ চনত লিঅ'নাৰ্ডো ডা ভিন্সিয়ে। ১৫৭৮ চনত ব্ৰিটিছ গণিতজ্ঞ উইলিয়াম বৰ্ণে সেই নক্সাখনৰ ওপৰত ভিত্তি কৰি ছাবমেৰিন তৈয়াৰ কৰাৰ পৰিকল্পনা কৰিছিল যদিও ১৬২০ চনত হলেণ্ডৰ কৰ্ণেলিয়াছ ডন ড্ৰেবেনেহে প্ৰথমখন ছাবমেৰিন নিৰ্মাণ কৰি টেমছ নদীৰ তলত সোমাই তিনি ঘণ্টা সময় পাৰ কৰিছিল। ইয়াত ১২ জন ব'ঠা মাৰা নাৱৰীয়া জড়িত আছিল আৰু ই ১৫ ফুট গভীৰতালৈ গৈছিল।

সৰ্বসাধাৰণৰ মাজত ছাবমেৰিন শব্দটো জনপ্ৰিয় হৈছিল জুলভাৰ্ণৰ বিভিন্ন দুঃসাহসিক লিখনিৰ জৰিয়তে। প্ৰথমে ইয়াক "ছাবমেৰিন ব'ট" অৰ্থাৎ পানীৰ তলত চলা নাও বুলি জনা গৈছিল যদিও আজিকালি যি কোনো ভাষাতে ছাবমেৰিন বুলি জনা যায়। যাৰ অৰ্থ পানীৰ তলত চলা এবিধ যান। "Submarine" শব্দটোৰ অৰ্থ হ'ল যি কোনো পানীৰ তলৰ বস্তু। ইংৰাজীত ইয়াক "U-boat"ও বোলে। ই জাৰ্মান ভাষাৰ শব্দ "Untersee boat" ৰপৰা আহিছে। যাৰ অৰ্থ সাগৰৰ তলৰ নাও।

ছাবমেৰিনৰ আকাৰ এটা দীঘল চুঙাৰ দৰে আৰু ইয়াৰ মধ্যভাগত যোগাযোগ আৰু পৰ্যবেক্ষণৰ সঁজুলিসমূহ থাকে। এই মধ্য অংশটোক Sail বা Fin বোলে। চুঙাটোৰ দুই মূৰ জোঙা। ছাবমেৰিনৰ পিচফালে থাকে প্ৰপেলাৰ বা পাম্পজেট আৰু পানীৰ মাজত থাকে গতি নিয়ন্ত্ৰণৰ বিভিন্ন ফিন আৰু বালাষ্ট টেংক।

প্ৰথম বিশ্বযুদ্ধত শত্ৰুৰ জাহাজ, ছাবমেৰিন আদি আক্ৰমণ কৰিবলৈ, পানীৰ তলত থাকি বিমান পৰিবাহক জাহাজৰ প্ৰতিৰক্ষাৰ কামত আৰু লগতে অৱৰোধৰ কামত ব্যৱহাৰ কৰিছিল ছাবমেৰিনকে। ইয়াক নিউক্লীয় অস্ত্ৰ-শস্ত্ৰ কঢ়িওৱা, অসামৰিক কাম-কাজ যেনে— সাগৰৰ অন্বেষণ, ডুব যোৱা জাহাজ উদ্ধাৰ, যন্ত্ৰপাতি স্থাপন আৰু পৰিচালনা কৰা আদি কামতো ব্যৱহৃত হয়। আনহাতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ছাবমেৰিনেৰে তথা টৰ্পেডোৰ সহায়ত পানীৰ ওপৰত ওলাই থাকি বা পানীৰ তলৰপৰাই জাহাজ ধ্বংস কামত ব্যৱহৃত হৈছিল। ইয়াৰদ্বাৰা শত্ৰুৰ জাহাজ ভাঙি খাদ্য আৰু অস্ত্ৰ পৰিবহণত বাধা প্ৰদান কৰিছিল। গোপনে সৈন্য যোগান ধৰা, গুপ্তচৰগিৰি কৰা, যুদ্ধত ভগ্নপ্ৰায় বিমানৰপৰা নিৰাপদে ওলাই অহা বিমান চালকক উদ্ধাৰ কৰা আদি কাৰ্যতো ছাবমেৰিন ব্যৱহাৰ হৈছিল।



**ছাবমেৰিনৰ বিকাশক্ৰম ঃ**

১৫২৫ খ্ৰীঃ- লিঅ'নাৰ্ডো দা ভিন্সিয়ে ছাবমেৰিনৰ প্ৰথম নক্সা আঁকিছিল।

১৫৭৮ খ্ৰীঃ- উইলিয়াম বৰ্ণ নামৰ ব্ৰিটিছ এজনে

ছাবমেৰিন সজাৰ পৰিকল্পনা কৰিছিল।

১৬২০ খ্রীঃ- হলেণ্ডৰ কৰ্ণেলিয়াছ ড্রেবেলে প্ৰথমখন কাৰ্যক্ষম ছাবমেৰিন সাজিছিল ইংলেণ্ডৰ ৰজা প্ৰথম জেমছৰ আমন্ত্ৰণমৰ্মে।

১৬৩৪ খ্রীঃ- ফৰাচী ধৰ্মযাজক মাৰিন মেৰ্ছেনে ছাবমেৰিন দুই মূৰ জোঙা চুঙা আকৃতিৰ তামেৰে নিৰ্মিত হ'ব লাগে বুলি মত পোষণ কৰিছিল, যাতে বিপৰীত দিশলৈও গতি কৰিব পাৰে।

১৬৫৩ খ্রীঃ- ফৰাচী ব্যক্তি ডিছলৰ নক্সাৰে বেলজিয়ামসকলে পানীৰ তলেদি যোৱা প্ৰথমখন ছাবমেৰিন সাজিছিল। যাৰ নাম ৰাখিছিল 'ৰটাৰডাম' নাও আৰু দৈৰ্ঘ্য আছিল ৭২ ফুট।

১৬৮০ খ্রীঃ- ইটালীৰ পিয়ভানি বলেৰীয়েও এখন নক্সা প্ৰস্তুত কৰিছিল।

১৬৯৬ খ্রীঃ- বায়ুপাম্প ব্যৱহাৰ কৰি ছাবমেৰিন এখন পানীৰ তললৈ নমোৱা আৰু উঠোৱা ব্যৱস্থাৰে দুখন ছাবমেৰিন নিৰ্মাণ কৰিছিল গণিতৰ অধ্যাপক ভেনিছ পোপিনে। ছাবমেৰিনখনৰ ভিতৰত থকা বিদ্ধা এবিধেৰে শত্ৰুৰ নাও-জাহাজ আদি ধ্বংস কৰিবও পাৰিছিল।

১৭২৯ খ্রীঃ- পানীত ডুব মাৰিব পৰা তথা জনসাধাৰণক আমোদ যোগান ধৰিব পৰা এখন নাও সাজিছিল ব্ৰিটিছ কাঠমিস্ত্ৰী নাথানিয়েল ছাইমনে।

১৭৭৩ খ্রীঃ- ইংৰাজ জে. ডে.-ও ছাবমেৰিন নিৰ্মাণ কৰিছিল।

১৭৭৬ খ্রীঃ- প্ৰথমখন সামৰিক ছাবমেৰিন 'টাৰটল' শত্ৰুক আক্ৰমণ কৰিবলৈ ডেভিড বুশ্বনলে নিৰ্মাণ কৰিছিল। ইয়াৰ আকৃতি আছিল এটা সাগৰীয় কাছৰ দৰে, চলাইছিল ছাৰ্জেণ্ট এজৰা নিয়ে। টাৰটলৰদ্বাৰাই ব্ৰিটিছ জাহাজ 'ঈগল'ক আক্ৰমণ কৰিছিল।

১৭৯৭-১৮০০ খ্রীঃ- আমেৰিকাৰ ৰবাৰ্ট ফুল্টনে 'নটিলাছ' নামৰ এখন ছাবমেৰিন নিৰ্মাণ কৰিছিল, যিখন তেওঁৰ নিজা খৰচতে নিৰ্মাণ কৰিছিল আৰু নিজে চলাইছিল। ব্ৰিটিছৰ বিৰুদ্ধে ব্যৱহৃত এই যানখন ২৫ ফুট পানীৰ তললৈ যাব পাৰিছিল আৰু পানীৰ তলত ৬ ঘণ্টা থাকিব পাৰিছিল।

১৮১৫ খ্রীঃ- এলবা দ্বীপত নিৰ্বাসিত হৈ থকা নেপোলিয়ন বোনাপাৰ্টক উদ্ধাৰৰ বাবে ১০০ ফুট দীঘল এখন ছাবমেৰিন ব্ৰিটিছ ব্যক্তি থমাছ জনষ্টনে নিৰ্মাণৰ পৰিকল্পনা কৰিছিল যদিও অসম্পূৰ্ণ নিৰ্মাণ অৱস্থাতেই নেপোলিয়নৰ মৃত্যু হৈছিল।

১৮৫০ খ্রীঃ- 'ব্ৰাণ্ডটচাৰ' নামৰ এখন ছাবমেৰিন নিৰ্মাণ কৰি ফিয়েল বন্দৰ অৱৰোধকাৰী ডেনিছ নৌবাহিনীৰ মাজত আতংকৰ সৃষ্টি কৰিছিল জাৰ্মান প্ৰুছিয়ান সেনাৰ কৰপ'ৰেল উইলহেলম বউৰে। এই ছাবমেৰিনখন দুজন ব্যক্তিয়ে ভৰিৰে চলাইছিল আৰু এজনে দিশ পৰিৱৰ্তন কৰিছিল।

১৮৫২ খ্রীঃ- ইণ্ডিয়ানাৰ লডনাৰ ফিলিপছে দুখন ছাবমেৰিন নিৰ্মাণ কৰিছিল।

১৮৫৫ খ্রীঃ- ডায়াবন মেৰিন (সাগৰৰ ভূত) নামৰ ৫২ ফুট দীঘল আৰু ১৬ জন ব্যক্তি যাব পৰা এখন ছাবমেৰিন নিৰ্মাণ কৰিছিল উইলহেলম বউৰে। ই ১৩৪ বাৰ পানীৰ তললৈ গৈছিল।

১৮৫৯ খ্রীঃ- ফ্ৰান্সৰ জুটাছ ডাঃ ভিলেৰয়ে ৩৩ ফুট দীঘল এখন ছাবমেৰিন নিৰ্মাণ কৰিছিল। এইখনক সাগৰত ডুব যোৱা জাহাজৰ ধন-সোণ বুটলিবৰ বাবে ব্যৱহৃত কৰা হৈছিল।

১৮৬১ খ্রীঃ- 'এলিগেটৰ' (ঘঁৰিয়াল) আছিল আমেৰিকা নৌ বাহিনীৰ প্ৰথমখন ছাবমেৰিন। ৪৬ ফুট দীঘল এই ছাবমেৰিনখন নিৰ্মাণ কৰিছিল ভিলেৰয়ে।

১৮৬৩ খ্রীঃ- 'লা প্ৰৱগিয়েৰ' নামৰ ছাবমেৰিনখন নিৰ্মাণ কৰিছিল। চাৰ্লছ বাৰ্ণ আৰু ছাইমন বুৰ্জোৱাই। ই ১৪০ ফুট দীঘল আৰু ১০ ফুট বহল আৰু ১৮০ Psi চাপত ৰখা বায়ুৰ চাপেৰে ইয়াক চলোৱা হৈছিল।

১৮৬৪ খ্রীঃ- ২৫ বছৰ ধৰি ছাবমেৰিন নিৰ্মাণত জড়িত উইলহেলম বউৰে প্ৰথম অন্তৰ্দহন ইঞ্জিন ছাবমেৰিনত ব্যৱহাৰ কৰাৰ বাবে প্ৰস্তাৱ দিছিল।


১৮৬৭ খ্রীঃ- আধুনিক ছাবমেৰিনৰপৰা উৎক্ষেপণ কৰিব পৰা টৰ্পেডোৰ আৰম্ভণি ঘটাইছিল ইংৰাজ অভিযন্তা ৰবাৰ্ট হোৱাইটহেডে অট'মবাইল টৰ্পেডো নিৰ্মাণ কৰি।

১৮৭০ খ্রীঃ- ফ্ৰেডৰিখ অট'ডগেলে নিৰ্মাণ কৰা জাৰ্মান ছাবমেৰিনখন অনুশীলনত অৱস্থাতেই ডুব গৈছিল, যিটো সময়ত ছাবমেৰিন সম্পৰ্কত সজাগতা সৃষ্টি কৰিছিল জুলভাৰ্ণৰ 'সাগৰতলিত কুৰি হাজাৰ লীগ' নামৰ কাহিনীয়ে। আৰু এই কাহিনীত কেপ্টেইন নিমোৱে 'নটিলাছ' ছাবমেৰিনেৰে আব্ৰাহাম লিংকন জাহাজখন ডুবাইছিল।

১৮৭৮ খ্রীঃ- গেছোলিন ইঞ্জিন ব্যৱহৃত হলাণ্ড-১ নামৰ ছাবমেৰিনখন সাজিছিল জন ফিলিপ হলাণ্ড নামৰ ব্যক্তি এজনে আইৰিছ বিপ্লৱীসকলৰ বাবে।

১৮৮১ খ্রীঃ- ৯ নট গতিবেগৰ এঘণ্টাৰ বাবে পানীৰ ৬০ ফুট তলত থাকিব পৰা ৩১ ফুট দীঘল ফিলিয়ান ৰেম' নামৰ ছাবমেৰিনখন সাজিছিল হলেণ্ড।

১৮৮৩ খ্রীঃ- 'নটিলাছ' ছাবমেৰিন ব'ট কোম্পানীৰ যোগেদি জেলিনস্কি ব'ট নামৰ ছাবমেৰিন সাজিছিল হলেণ্ডে বিনিয়োগকাৰীৰ সহযোগত।



১৮৮৫ খ্ৰীঃ- ফ্ৰান্সৰ ক্লড গৌবেটে বেটাৰিচালিত, আমেৰিকাৰ জছিয়াহ টাকে জুইবিহীন ৰাসায়নিক শক্তিচালিত (য'ত ৫ ঘণ্টাৰ বাবে ১৫০০ পাউণ্ড কষ্টিক ছ'ডা) ছাবমেৰিন সাজিছিল।

ভাপ ইঞ্জিনেৰে চালিত নৰডেনফেল্ট-১ নামৰ ছাবমেৰিনখন নিয়ন্ত্ৰণহীন হোৱা বাবে বিপজ্জনক আছিল।

১৮৮৭ খ্ৰীঃ- ১০০ অশ্বশক্তিৰ বাষ্পত চালিত কৰিব পৰাকৈ ছাবমেৰিন নিৰ্মাণৰ বাবে টৰ্পেডোৰ সৈতে আমেৰিকাৰ নৌবাহিনীয়ে এক প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। তাত ভাগ লোৱা নবডেনফেল্ট, টাক আৰু হলাণ্ডৰ ভিতৰত হলাণ্ডৰ নক্সা নিৰ্বাচিত হৈছিল।

১৮৮৮ খ্ৰীঃ- ৬০ ফুট দীঘল তথা ৮ নট গতিবেগত বেটাৰি চালিত ছাবমেৰিন নিৰ্মাণ কৰিছিল গুষ্টাভ নেডেই।

১৮৮৯ খ্ৰীঃ- স্পেনিয়াৰ্ড আইজাক পেৰালে হোৱাইট হেড টৰ্পেডোসহ 'পেৰাল' ছাবমেৰিন নিৰ্মাণ কৰিছিল।

১৮৯৮ খ্ৰীঃ- ১৪৮ ফুট দীঘল তথা ২৬৬ টনৰ 'গুষ্টাভ জেডে' নামৰ ছাবমেৰিনখন ফ্ৰান্সে নিৰ্মাণ কৰিছিল।

১৯০৫ খ্ৰীঃ- 'প্লাঞ্জাৰ' ছাবমেৰিনখনেৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্টে সাগৰৰ তলি ভ্ৰমণ কৰে।

১৯০৬ খ্ৰীঃ- U-boat ছাবমেৰিন শ্ৰেণীটো জাৰ্মানীয়ে আৰম্ভ কৰে।

১৯১৬ খ্ৰীঃ- বিশ্বযুদ্ধৰ বাবে জাৰ্মানীয়ে ছাবমেৰিন নিৰ্মাণ কৰিছিল।

১৯১৮ খ্ৰীঃ- ছাবমেৰিন এখন ক'ত আছে তাক জনাৰ বাবে হাইড্ৰ'ফ'নৰ ব্যৱহাৰ আৰম্ভ হৈছিল।

১৯৩২ খ্ৰীঃ- আমেৰিকাৰ নৌবাহিনীয়ে ছাবমেৰিনৰ পাতল ডিজেল ইঞ্জিনৰ নিৰ্মাণৰ মুক্ত প্ৰতিযোগিতাৰ আয়োজন কৰিছিল।

১৯৪০ খ্ৰীঃ- জাৰ্মান বিজ্ঞানী হেলমুট ৱাল্টাৰে পানীৰ তলত অনিৰ্দিষ্ট কাললৈ থাকিব পৰা ছাবমেৰিনৰ প্ৰদৰ্শন কৰে। V-80 ছাবমেৰিনখনত 90% সমৃদ্ধ হাইড্ৰ'জেন পেৰ'ক্সাইড ($H_2O_2$) ৰ ব্যৱহাৰ কৰিছিল (বায়ুৰ অক্সিজেনৰ সলনি)।

১৯৫৪ খ্ৰীঃ- 'নটিলাছ'— প্ৰথম পাৰমাণৱিক শক্তিচালিত ছাবমেৰিন (আমেৰিকাৰ নিৰ্মাণ)।

১৯৬৪ খ্ৰীঃ- 'নভেম্বৰ'— ৰাছিয়াই নিৰ্মাণ কৰা নিউক্লীয় ছাবমেৰিন।

১৯৭২ খ্ৰীঃ- 'অহিঅ" নামৰ ছাবমেৰিনবিধ নিৰ্মাণ কৰা হৈছিল পানীৰ তলৰপৰা 'ট্ৰাইডেণ্ট' নামৰ আন্তৰ্মহাদেশীয় ক্ষেপণাস্ত্ৰবিধক নিক্ষেপ কৰিবলৈ।

১৯৮২ খ্ৰীঃ- ফকলেণ্ড নামৰ পাৰমাণৱিক ছাবমেৰিনখন ব্ৰিটিছ যুক্তৰাষ্ট্ৰই নিৰ্মাণ কৰি যুদ্ধত ব্যৱহাৰ কৰে।

২০০০ খ্ৰীঃ- ছাবমেৰিনৰ শতবাৰ্ষিকী উদ্‌যাপন হয়।

২০০৯ খ্ৰীঃ- 'অৰিহন্ত'— ভাৰতৰ প্ৰথম পাৰমাণৱিক ছাবমেৰিনখনৰ উদ্বোধন কৰা হয়।

[১৯৭১ খ্ৰীঃ- ভাৰত-পাক যুদ্ধ ঃ 'হাংগৰ' নামৰ পাকিস্তানৰ ছাবমেৰিনখনে ভাৰতৰ 'খুকৰী' নামৰ ছাবমেৰিনখন ডুবায়। আকৌ ভাৰতে পাকিস্তানৰ 'ঘাজি' নামৰ ছাবমেৰিনখন ডুবায়।]

প্ৰধানতঃ পানীৰ তলেৰে মাছৰ দৰে চলাচল কৰা ছাবমেৰিন আদিতে মানুহে ব'ঠা মাৰি চলাইছিল। প্ৰথম যান্ত্ৰিক ছাবমেৰিন প্লংগি (ফৰাচী দেশৰ)ক চাপযুক্ত বায়ুৰদ্বাৰা চলোৱা হৈছিল। বায়ুৰ চাপৰ সলনি ভাপ ইঞ্জিন ব্যৱহৃত প্ৰথমখন ছাবমেৰিন হ'ল ইক্টিনিও-২ (১৮৬৪ চন, স্পেনিছ)। ইয়াত তাপশক্তি উৎপাদনৰ বাবে ব্যৱহৃত মিশ্ৰণটো হ'ল জিংক, মেংগানিজ ডাই অক্সাইড আৰু পটাছিয়াম ডাইক্ল'ৰেট; যাৰদ্বাৰা নাৱিকসকলৰ বাবে প্ৰয়োজনীয় অক্সিজেনৰো যোগান ধৰা হৈছিল। ১৯৪০ চনত জাৰ্মান নাৱিকসকলে হাইড্ৰ'জেন পেৰ'ক্সাইড ($H_2O_2$) ছাবমেৰিন চলাবৰ বাবে ব্যৱহাৰ কৰিছিল।

নিউক্লীয় শক্তি ব্যৱহাৰৰ আগলৈকে ছাবমেৰিন পানীৰ তলেৰে যাবলৈ বেটাৰিৰ বিদ্যুৎ শক্তিচালিত ইঞ্জিন আৰু ওপৰেৰে যাবলৈ পেট্ৰ'লচালিত ইঞ্জিনৰ ব্যৱহাৰ হৈছিল। পেট্ৰ'ল, কেৰাচিনৰ ব্যৱহাৰৰ পিচত ছাবমেৰিনত ব্যৱহাৰ কৰিব পৰা উত্তম ইন্ধন হিচাপে ব্যৱহৃত ডিজেল ইঞ্জিন; কাৰণ ডিজেলৰ জুই জ্বলাৰ সম্ভাৱনা অতি কম।

হাইড্ৰ'জেন পেৰ'ক্সাইড ব্যৱহৃত ছাবমেৰিনবিলাকতো বৃহৎ বৃহৎ বেটাৰি ব্যৱহাৰ কৰা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ শেষত ব্ৰিটিছ আৰু ৰাছিয়াই $H_2O_2$ আৰু কেৰাচিন ব্যৱহাৰ কৰিব পৰা ছাবমেৰিন ইঞ্জিনৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাইছিল। য'ত সুবিধাজনক কোনো সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলে। তাৰ পাচতো বায়ু চাপ ব্যৱহাৰ নকৰাকৈ আন উপায়েৰে ছাবমেৰিন চলোৱাৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলি আছে। কিছুমান ছাবমেৰিনৰ ইঞ্জিনত ডিজেলৰ লগতে তৰলীকৃত অক্সিজেন ব্যৱহাৰ কৰা হয়। আকৌ আন কিছুমান ইঞ্জিনত বায়ুৰ প্ৰয়োজন নোহোৱা হাইড্ৰ'জেন ফুৱেল চে'ল ব্যৱহাৰ কৰা হয়।

বৰ্তমান ছাবমেৰিনৰ শক্তি উৎপাদনৰ সৰ্বোত্তম পদ্ধতি হ'ল পাৰমাণৱিক ইঞ্জিন (১৯৫০ চনৰ পাচত)।

প্ৰধানতঃ প্ৰতিৰক্ষাৰ কামত ব্যৱহৃত ছাবমেৰিনে পানীৰ তলতেই থাকি অতিশব্দ ব্যৱহাৰ কৰি আন ছাবমেৰিন বা জাহাজৰ গতি-বিধি লক্ষ্য কৰি থাকিব লাগে। ছোনাৰ (SONAR) পদ্ধতিৰে এই কাম কৰা হয়। ছাবমেৰিনত ব্যৱহৃত আন এবিধ যন্ত্ৰ মাইক'ৱেভ ৰাডাৰ ব্যৱহাৰ কৰি সাগৰৰ জাহাজ, ছাবমেৰিনৰ লগতে আকাশত উৰি থকা আকাশী জাহাজৰো অৱস্থিতি ধৰা পেলাবও পাৰি। আজিকালি ছাবমেৰিনত Global Positioning System (GPS) ব্যৱহাৰ কৰা হয়।

যিবিলাক ছাবমেৰিন পাৰমাণৱিক শক্তি ব্যৱহাৰ কৰি চলোৱা হয়, তেনে ছাবমেৰিনক নিউক্লীয় ছাবমেৰিন বোলে। ই সাধাৰণ ছাবমেৰিনতকৈ বহুগুণে কাৰ্যক্ষম আৰু পানীৰ তলতেই ২৫ বছৰ থাকিব পাৰে আৰু ইয়াক বতাহৰ (বায়ু চাপ) প্ৰয়োজন নাই। আধুনিক সাধাৰণ ছাবমেৰিনসমূহ বেছি সময় পানীৰ তলত থাকিব নোৱাৰে; কিন্তু পাৰমাণৱিক ইঞ্জিন ব্যৱহৃত ছাবমেৰিনবোৰ বহুদিনলৈকে পানীৰ তলত থাকিব পাৰে যদিও এইবোৰ অত্যন্ত খৰচী বাবে নিৰ্দিষ্ট কেইখনমান দেশেহে এনেকুৱা ছাবমেৰিন নিৰ্মাণ কৰিছে।

১৯৫৪ চনত মুকলি কৰা 'নটিলাছ' হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰই নিৰ্মাণ কৰা পৃথিৱীৰ প্ৰথমখন নিউক্লীয় ছাবমেৰিন। ই চাৰিমাহ পানীৰ তলত থাকি বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল। নটিলাছৰ দৈৰ্ঘ্য আছিল ৩২০ ফুট আৰু খৰচ হৈছিল প্ৰায় ২৭৫ কোটি। ইয়াৰ পাচত ক্ৰমে ছোভিয়েট যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, ব্ৰিটেইন আৰু চীন দেশে পাৰমাণৱিক ছাবমেৰিন নিৰ্মাণ কৰে। আনহাতে অতি শেষত পাৰমাণৱিক ছাবমেৰিন নিৰ্মাণৰ শাৰীত ভাৰতে থিয় দিয়ে ২০০৯ চনৰ ২৬ জুলাইত। উপৰোক্ত ছয়খন দেশৰ উপৰিও ব্ৰাজিল, আৰ্জেণ্টিনা আদি দেশেও ছাবমেৰিন নিৰ্মাণৰ কামত ব্যস্ত হৈ আছে।

নিউক্লীয় ছাবমেৰিনৰ শক্তিৰ প্ৰধান উৎস হ'ল পাৰমাণৱিক শক্তি। ছাবমেৰিন এখনত থকা পাৰমাণৱিক শক্তি উৎপাদন কেন্দ্ৰই ইয়াৰ বাবে প্ৰয়োজনীয় সমস্ত বৈদ্যুতিক শক্তি উৎপাদন কৰি যোগান ধৰে। শক্তি উৎপাদনৰ ব্যৱস্থাটো সৰু আকাৰৰ হোৱা বাবে ইয়াত ঘনীভূত নিউক্লীয় ইন্ধন ব্যৱহৃত হয়। এই ব্যৱস্থাত উৎপন্ন হোৱা বিদ্যুৎ শক্তি ব্যৱহাৰ কৰা হয়—

১। ছাবমেৰিন সঞ্চালনত।
২। খোৱাপানীৰ উৎপাদনত।
৩। ভিতৰৰ বায়ু সন্তুলনৰ উপযুক্ত গুণাগুণ নিয়ন্ত্ৰণৰ বাবে।
৪। ভিতৰৰ উষ্ণতা নিয়ন্ত্ৰণৰ বাবে আদি।

ত্ৰিশ বছৰৰ বাবে প্ৰয়োজনীয় সকলো ইন্ধন লৈ ফুৰিব পৰা এনে ছাবমেৰিনৰ নিউক্লীয় শক্তি যোগান ব্যৱস্থা ব্যাহত হ'লে ডিজেল ব্যৱহৃত জেনেৰেটৰ ব্যৱহাৰ কৰা হয়। কিন্তু এই পাৰমাণৱিক ছাবমেৰিন বছৰ বছৰ ধৰি সাগৰৰ তলিত ঘূৰি ফুৰিব পাৰিলেও প্ৰধান সমস্যা হ'ল নাৱিকক খাদ্য যোগান ধৰা আৰু পৰ্যায়ক্ৰমে প্ৰয়োজন হোৱা মেৰামতি কৰা।

**'অৰিহন্ত'— ভাৰতৰ প্ৰথম পাৰমাণৱিক ছাবমেৰিন ঃ**


২০০৯ চনৰ ২৬ জুলাইৰ দিনাখন বিশাখাপট্টনম বন্দৰত প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে ভাৰতৰ নিউক্লীয় শক্তিচালিত প্ৰথমখন ছাবমেৰিন দেশৰ প্ৰতিৰক্ষাৰ বাবে উৎসৰ্গা কৰি উদ্বোধন কৰে। ৰুছ দেশৰ সহযোগত নিৰ্মাণ কৰা এই ছাবমেৰিনখনৰ নাম হ'ল 'অৰিহন্ত'। যাৰ অৰ্থ 'শত্ৰু নিপাতকাৰী'। বেলাষ্টিক মিছাইল অৰ্থাৎ আন্তৰ্মহাদেশীয় নিউক্লীয় ক্ষেপণাস্ত্ৰ বহন কৰিব পৰা এই ছাবমেৰিনখনত ১০০ জনকৈ নাৱিক বা সামৰিক বাহিনীৰ লোক থাকিব পাৰিব। ইয়াৰ অনুশীলন সঠিক হৈ উঠিলেই ভাৰতৰ প্ৰতিৰক্ষাৰ দিশত অধিক সবল হৈ পৰিব। 'অৰিহন্ত'ৰ পাচত ভাৰতে আৰু চাৰিখন নিউক্লীয় ছাবমেৰিন নিৰ্মাণৰ পৰিকল্পনা কৰি আছে। 'অৰিহন্ত' নিৰ্মাণৰ লগে লগে ভাৰতে আন পাঁচখন দেশ ক্ৰমে আমেৰিকা যুক্তৰাষ্ট্ৰ (৭৪ খন), চীন (১০ খন), ব্ৰিটেইন (১৩ খন), ফ্ৰান্স (১০ খন), ৰুছ (৪৪ খন)ৰ লগত থিয় দিলে। ❖❖❖

প্ৰসংগ পুথি ঃ *নতুন আৱিষ্কাৰ*, নৱম সংখ্যা, ২০০৯

# ৰহস্যময়ী পৃথিৱী আৰু মানুহ

বানেশ্বৰ বড়ো

পৃথিৱীখন বৰ বিশাল। এই বিশাল পৃথিৱীৰ বুকুত আছে পৰ্বত-পাহাৰ, নদ-নদী, সাগৰ-মহাসাগৰ, গছ-গছনি, তৰু-তৃণ, হাবি-বননি আৰু স্থলভাগত জীৱ-জন্তু, পশু-পক্ষী; জলভাগত আছে নানা ধৰণৰ জলচৰ প্ৰাণী। বিচিত্ৰময় দৃশ্যৰাশিৰে পৃথিৱী পৰিপূৰ্ণ। এই সকলোবোৰৰ সৃষ্টিৰ আঁৰত কোন সেয়া জনা সহজসাধ্য নহয়। এই ৰহস্য অভেদ্য। এই সৃষ্টি ইমানেই নিখুঁত যে, সকলো সৃষ্টিৰ লগত সকলোৰে সম্পৰ্ক জড়িত হৈ আছে। ইয়াৰে কোনো এবিধ নাইকিয়া হ'লে কোনো এবিধৰ অস্তিত্ব হেৰাই যায়। যুগে যুগে প্ৰলয়ৰ সংঘাতত পৰিৱৰ্তন নঘটাকৈও থকা নাই। তৎসত্বেও সৃষ্টি সম্পূৰ্ণ ধ্বংস হোৱা নাই। বৰং এক নতুন ৰূপৰদ্বাৰাহে প্ৰতিষ্ঠিত হয়।



পৃথিৱীৰ বুকুত সৃষ্টি হোৱা জীৱকুলৰ ভিতৰত মানুহেই শ্ৰেষ্ঠত্ব লাভ কৰিছে। শ্ৰেষ্ঠ হ'লেও আদিতে সৰ্বগুণৰদ্বাৰা পৰিপুষ্ট নাছিল। সৌ তাহানিৰ বুৰঞ্জীয়ে কয়, অতীতত হেনো মানুহ বান্দৰ আকৃতিৰ আছিল। কালক্ৰমত মানুহৰ ৰূপলৈ ৰূপান্তৰ হয়। অতীত মানৱে পৰ্বত-পাহাৰৰ গুহা আদিতহে আশ্ৰয় লৈছিল। কোনো সমাজ ব্যৱস্থা নাছিল। কালক্ৰমে মানুহৰ মগজুৰ বিকাশ ঘটাত সমাজ পাতি বাস কৰিবলৈ লয় আৰু নিজৰ অভাৱসমূহ অনুভৱ কৰিবলৈ শিকে। অভাৱেই আৱিষ্কাৰৰ মূল। সেয়ে তেওঁবিলাকে নিত্য ব্যৱহাৰ্য সামগ্ৰীসমূহ এপদ এপদকৈ সাজি ল'বলৈ সক্ষম হৈছিল। এনেকৈয়ে মানৱ সভ্যতা ক্ৰমগতিত অগ্ৰগামী হয়। বৰ্তমান মানুহ সভ্যতাৰ উচ্চ শিখৰত উপনীত হৈ বিজ্ঞানৰ প্ৰভাৱত সৃষ্টিকৰ্তাই পৃথিৱীৰ বুকুত গুপ্তভাৱে সঞ্চিত কৰি ৰখা গুপ্ত ভাণ্ডাৰসমূহকো উদ্ধাৰ কৰি ন ন সামগ্ৰী প্ৰস্তুত কৰিবলৈ সক্ষম হৈছে। অৱশ্যে শিক্ষাৰ প্ৰভাৱতহে বিজ্ঞানৰ প্ৰগতি সাধন হৈছে। গতিকে শিক্ষাই মানৱ জীৱনৰ মূল আৰু অপৰিহাৰ্য।

প্ৰকৃত শিক্ষাই মানৱ সভ্যতা আৰু উন্নয়নৰ মূল হেতু। সেয়ে প্ৰতিগৰাকী পুৰুষ-মহিলাই শিক্ষিত হোৱা প্ৰয়োজন। বৰ্তমান যুগত শিক্ষাহীন ব্যক্তি অন্ধস্বৰূপ। শিক্ষাৰ প্ৰভাৱত গোটেই বিশ্বই এক নতুন ৰূপ লৈছে। যাৰ বাবে আজিৰ মানৱ সমাজে সভ্যতাৰ চূড়ান্ত শিখৰত উপনীত হোৱা বুলি গৌৰৱান্বিত হ'ব পাৰিছে। বিজ্ঞানে যিমানে নতুন বস্তু আৱিষ্কাৰ কৰিছে, প্ৰতিটো বস্তুই যেন মানুহৰ অপৰিহাৰ্য হৈছে। বিজ্ঞানে প্ৰতি শ্ৰেণীৰ মানুহৰ প্ৰতিটো কাৰ্যৰ বাবে আৱশ্যকীয় উন্নত মানৰ সা-সঁজুলি প্ৰস্তুত কৰি মানুহৰ হিত সাধন কৰিছে; যেনে— কৃষকৰ বাবে হালবোৱা সঁজুলি, পানী তোলা মেচিন আৰু উন্নত জাতৰ বীজ। লেখা-মেলাৰ বাবে ছপাশাল, টাইপ মেচিন আৰু কম্পিউটাৰ আদি। শিপিনীসকলৰ বাবে সূচা কটা আৰু কাপোৰ বোৱা উন্নতমানৰ শাল। সংস্কৃতিৰ শিল্পীসকলৰ বাবে নানা ধৰণৰ বাদ্যযন্ত্ৰ। তাৰোপৰি দূৰদৰ্শনৰ জৰিয়তে নিতৌ ঘৰত বহিয়ে আনন্দ উপভোগ কৰাৰ লগতে দেশ-বিদেশৰ কথা জানিব পৰা হৈছে। উদ্যোগসমূহৰ বাবে নানা ধৰণৰ সঁজুলি প্ৰস্তুত কৰিব পৰা কাৰখানাৰো আৱিষ্কাৰ কৰিছে। জলপথ, স্থলপথ আৰু আকাশমাৰ্গেৰে ক্ষিপ্ৰগতিত যাতায়াত কৰিব পৰা যান-বাহনৰ

আৱিষ্কাৰে মানৱ জীৱনৰ যথেষ্ট উপকাৰ সাধন কৰিছে। যদি এই যান-বাহনসমূহ আৱিষ্কাৰ নহ'লহেঁতেন, তেন্তে মানুহ নিজ নিজ ঠাইতে স্থৱিৰভাৱে থাকিব লাগিলহেঁতেন। খা-খবৰ আৰু জৰুৰী বাৰ্তাসমূহ টেলিফোন, মোবাইল ফোন আদিৰে প্ৰেৰণ কৰি কোনো সময় ব্যয় নকৰাকৈ সম্পৰ্ক বজাই ৰাখিব পাৰিছে। মুঠৰ ওপৰত বিজ্ঞানৰ আৱিষ্কাৰে সকলো ক্ষেত্ৰতে স্বচ্ছতা আনি দিছে আৰু গোটেই বিশ্বক যন্ত্ৰময় কৰিছে। যন্ত্ৰৰদ্বাৰাই সকলো কাম সহজতে সম্পাদন কৰিব পৰা হৈছে। এফালে যেনেকৈ মানুহৰ উপকাৰ সাধনৰ সামগ্ৰী প্ৰস্তুত হৈছে, আনফালে তেনেকৈ ধ্বংসমুখী নানা অস্ত্ৰও প্ৰস্তুত হৈছে। যাৰ সহায়ত দুষ্কৃতিকাৰীয়ে আজি নানা ধৰণৰ দুষ্কাৰ্য কৰিবলৈ কোনো কুণ্ঠাবোধ কৰা নাই।

বৈজ্ঞানিকসকলে পৃথিৱীত জনবিস্ফোৰণৰদ্বাৰা হ'ব পৰা ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি জন্ম নিয়ন্ত্ৰণৰ বহুতো ব্যৱস্থা আৱিষ্কাৰ কৰিছে; কিন্তু এই ব্যৱস্থাবোৰৰদ্বাৰাও সম্পূৰ্ণ সফল হ'ব পৰা নাই। সেয়ে বৈজ্ঞানিকসকল অদূৰ ভৱিষ্যতে পৃথিৱীখন জনবাসৰ বাবে সংকীৰ্ণ হোৱাৰ আশংকা কৰি অন্য এক নতুন পৃথিৱীৰ সন্ধানত আকাশমাৰ্গলৈ ঢাপলি মেলিবলগা হৈছে। আকাশমাৰ্গৰ অভিযানত বৈজ্ঞানিকসকল বৰ্তমানে সফল হ'ব পৰা নাই যদিও এই আশা এৰি দিয়া নাই। বিশ্ব মানৱেও বৈজ্ঞানিকসকলৰ এই অভিযানৰ চেষ্টাৰ এদিন নহয় এদিন সফলতাৰ কামনা পোষণ কৰি ৰাখিছে।

বৰ্তমান বিজ্ঞানে পৃথিৱীক নতুন নতুন সৌন্দৰ্য প্ৰদান কৰি আছে। আনফালে জনসংখ্যা বৃদ্ধিয়ে ঈশ্বৰপ্ৰদত্ত পৃথিৱীৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বিনাশ ঘটাইছে। হাবি-বননি নাইকিয়া হৈছে। হাবি-বননি নাইকিয়া হোৱাৰ ফলত হাবিত বাস কৰা বহুতো বন্যপ্ৰাণী সম্পূৰ্ণ বিলুপ্ত হৈছে। বিল-খাল আদি বাম কৰি মানুহৰ বসতি আৰু কৰ্মস্থলী কৰি লোৱাৰ বাবে বহুতো জলচৰ প্ৰাণীৰো বিনাশ ঘটিছে। দ ঠাই বাম কৰিবৰ বাবে পাহাৰ আদিৰ মাটি কাটি অনাত পাহাৰৰ সৌন্দৰ্যও নাইকিয়া হৈছে। মুঠৰ ওপৰত এতিয়া সকলো ঠাইতে কেৱল মানুহ আৰু মানুহ। জীৱৰ ভিতৰত মানুহেই সৰ্বশ্ৰেষ্ঠ। কাৰণ মানুহে কথা ক'ব পাৰে আৰু কথাৰ জৰিয়তে নিজৰ আৱেগ-অনুভূতি আনৰ আগত ব্যক্ত কৰিব পাৰে। গভীৰভাৱে চিন্তা কৰিব পৰা শক্তি থকাৰ বাবে বহুতো নতুনত্বৰ দিশ উন্মোচন কৰি নব্য আৱিষ্কাৰৰ জ্ঞান আহৰণ কৰিবলৈ সক্ষম হয়। মানুহ শিক্ষাৰ পথত যিমানেই দ্ৰুতগতিত আগবাঢ়িছে, বিজ্ঞানেও সিমানে দ্ৰুতগতি লাভ কৰিছে। বিজ্ঞানে আজি পৃথিৱীক নতুন ৰূপত সজাই মানুহক অতি প্ৰলোভিত হোৱাৰ পথো মুকলি কৰি দিছে। তাৰ ফলস্বৰূপে মানৱ সমাজত আজি এক বিৰাট ব্যৱধানে গা কৰি উঠিছে।


ঈশ্বৰৰ সৃষ্টি অতি আশ্চৰ্যজনক। পৃথিৱীত অলেখ মানুহ জন্মিছে। কিন্তু আকৃতি-প্ৰকৃতি সকলোৰে লগত সকলোৰে মিল নাই। মগজুও একে নহয়। মগজুৰ ভিন্নতাৰ বাবে অভিৰুচিও বেলেগ বেলেগ। মগজুৰ প্ৰখৰতা আৰু স্মৃতিসম্পন্ন হৈ কোনোৱে শিক্ষাৰ স্থলীত মানুহক জ্ঞান দিয়ে। কোনোৱে বৈজ্ঞানিক হৈ মানুহৰ হিত সাধন কৰিছে। কোনোৱে চিকিৎসা বিষয়ত নিপুণ হৈ মানুহক ৰোগৰপৰা মুক্ত কৰিছে। কোনোৱে শ্ৰমিক হৈ কথমপি জীৱন নিৰ্বাহ কৰিছে।

মানুহে সমাজ পাতি বাস কৰিবলৈ লোৱাৰেপৰা সামাজিক শৃংখলা বজাই ৰাখিবলৈ পূৰ্বতে ৰজা-মহাৰজাসকলৰদ্বাৰা জনসাধাৰণ শাসিত হৈছিল। ৰজাসকলৰ একোটা নিৰ্দিষ্ট সীমাৰ গণ্ডিত নিজ নিজ ৰাজ্য আছিল। এই ৰজাসকলৰ মাজত নিজৰ প্ৰভাৱ বিস্তাৰৰ বাবে যুদ্ধ-বিগ্ৰহো হৈছিল। ৰজাই আছিল সৰ্বেসৰ্বা। কিছুমান স্বেচ্ছাচাৰী ৰজাৰ শাসনত প্ৰজাসকল বাৰুকৈয়ে ক্ষুণ্ণ হৈছিল। শিক্ষা আৰু একতাৰ অভাৱত প্ৰজাবোৰ ঐক্যবদ্ধ হ'ব পৰা নাছিল। কালক্ৰমত মানুহবোৰ শিক্ষিত হৈ অহাৰ লগে লগে স্বেচ্ছাচাৰী ৰজাসকলৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈ আন্দোলন কৰিবলৈ লোৱাত বৰ্তমান পৃথিৱীত অধিকসংখ্যক দেশতে গণতন্ত্ৰ শাসন প্ৰচলিত হয়। গণতন্ত্ৰ শাসন নীতিত মানুহে সমঅধিকাৰ পোৱাৰ আশা প্ৰকট আছিল যদিও বৰ্তমানে শাসনৰ ক্ষমতা অধিকাৰ কৰা কিছুমান দুৰ্নীতিপৰায়ণ ব্যক্তিৰদ্বাৰা ৰাইজ প্ৰবঞ্চনাৰ বলি হ'বলগা হৈছে। তাৰ পৰিণতিত আজি নানা সংঘাতৰ সন্মুখীন হোৱা দেখা যায়। সেয়ে আজি দেশত শান্তি ব্যাহত হৈছে।

মানুহ যিমানে শিক্ষিত হৈছে, সিমানে চতুৰতাও বাঢ়িছে। এচামে মানুহৰ হিত সাধনৰ বাবে আত্মজাহ দিছে আৰু এচামে নিজৰ স্বাৰ্থ পূৰণৰ বাবে প্ৰবঞ্চনাৰ আশ্ৰয় লৈছে। বিজ্ঞানে আজি পৃথিৱীক এক নতুন ৰূপত সজাই তুলিছে যদিও ঈশ্বৰৰ সৃষ্টিত পৃথিৱীৰ ৰহস্য যেনেকৈ অভেদ্য, তেনেকৈ মানুহৰ সাধনাৰে সৃষ্টিতো আছে ৰহস্যৰ পৰশ। ❖❖❖

# আঠ মাহজোৰা যাত্ৰাৰ অন্তত সৌৰজগতৰ ৰঙা গ্ৰহত নামিল নাছাৰ ৰ'ভাৰ

ছহিদুল ইছলাম
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)



সকলো উৎকণ্ঠাৰ অন্ত পেলাই সৌৰজগতৰ ৰঙা গ্ৰহ মঙলত সফলভাৱে অৱতৰণ কৰিলে মাৰ্কিন মহাকাশ গৱেষণা সংস্থা নাছাৰ অত্যাধুনিক ৰ'ভাৰ যানখনে। মহাকাশত সুদীৰ্ঘ আঠ মাহ আৰু ১৫ দিনৰ যাত্ৰাৰে পৃথিৱীৰপৰা ৫৬৬ নিযুত কিলোমিটাৰ নিলগৰ মঙলৰ পৃষ্ঠত উপস্থিত হ'ল নাছাৰ অত্যাধুনিক ৰ'ভাৰ কিউৰ'ছিটি। সংবাদ প্ৰতিষ্ঠানৰ খবৰ মতে ভাৰতীয় সময়মতে সোমবাৰে দিনৰ ১১.০১ বজাত মঙলৰ পৃষ্ঠত অৱতৰণ কৰে পাৰমাণৱিক শক্তিচালিত কিউৰ'ছিটিয়ে। ৰ'ভাৰ যানখনৰ সফল অৱতৰণৰ লগে লগে আৰম্ভ হ'ল মঙলত জীৱৰ অস্তিত্ব সম্পৰ্কীয় নাছাৰ সুদীৰ্ঘ বছৰজোৰা অধ্যয়নৰ এক নতুন অধ্যায়। উল্লেখ্য যে, ছটা চকাযুক্ত তথা এক টন ওজনৰ এই ৰ'ভাৰ যানখন হৈছে মঙললৈ নাছাই পূৰ্বে প্ৰেৰণ কৰা ৰবটিক ৰ'ভাৰকেইখনতকৈ বহুগুণে উন্নত। অত্যাধুনিক প্ৰযুক্তিসম্পন্ন তথা পাৰমাণৱিক শক্তিৰে চালিত এই নতুন ৰ'ভাৰখনত সংলগ্ন হৈ আছে দহটা অত্যাধুনিক যন্ত্ৰ। যানখনত সংলগ্ন যন্ত্ৰকেইটাৰ ভিতৰৰে দুটা যন্ত্ৰই মঙলৰ পৃষ্ঠভূমি খান্দি অভ্যন্তৰলৈ প্ৰৱেশ কৰাৰ লগতে মঙলৰ অভ্যন্তৰৰ বিভিন্ন উৎপাদন বিশ্লেষণ সম্পৰ্কীয় পৰীক্ষা কৰিব পুংখানুপুংখভাৱে। এনেদৰে ৰ'ভাৰ যানখনে বিস্তৃত অধ্যয়নেৰে মঙলৰ বুকুত চলাব জীৱনৰ অস্তিত্ব সম্পৰ্কীয় সন্ধান। ৰঙা গ্ৰহটোলৈ মানৱ অভিযান চলোৱাৰ বাবে প্ৰয়োজনীয় প্ৰযুক্তিগত জ্ঞানৰ ভাণ্ডাৰো নাছাৰ বিজ্ঞানীসকলৰ সন্মুখত উন্মোচিত কৰিব ৰ'ভাৰ যানখনে। উল্লেখ্য যে, মঙলৰ পৃষ্ঠত সফল অৱতৰণেৰে সুদূৰৰ গ্ৰহটোত দুবছৰীয়া অভিযান আৰম্ভ কৰিলে কিউৰ'ছিটিয়ে। নাছাৰ বিভিন্ন নিয়ন্ত্ৰণ কক্ষৰপৰা মাৰ্কিন মহাকাশ বিজ্ঞানীয়ে দিবলগীয়া নিৰ্দেশৰ ভিত্তিত যানখনে মঙলৰ বিভিন্ন প্ৰান্তলৈ গতি কৰিব। এই যাত্ৰাৰ মাজতে যানখনত সংলগ্ন অত্যাধুনিক যন্ত্ৰসমূহে বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰে যাৱতীয় তথ্যপাতি আৰু আলোকচিত্ৰ প্ৰেৰণ কৰিব নাছাৰ নিয়ন্ত্ৰণ কক্ষলৈ। সেই তথ্য আৰু আলোকচিত্ৰসমূহ বিশ্লেষণ কৰি নাছাৰ বিজ্ঞানীয়ে প্ৰচেষ্টা চলাব মঙলৰ সীমাহীন ৰহস্য উদ্ঘাটনৰ। মঙললৈ মানৱ অভিযান চলোৱাৰ বাবে প্ৰয়োজনীয় বিভিন্ন প্ৰযুক্তিগত জ্ঞান আহৰণৰ প্ৰচেষ্টাও নাছাৰ বিজ্ঞানীয়ে চলাব সেই তথ্যসমূহ বিশ্লেষণৰ জৰিয়তে। উল্লেখ্য যে, ২৫০ কোটি মাৰ্কিন ডলাৰ ব্যয় সাপেক্ষ এক অভিযানৰ অংশ হিচাপে ফ্লৰিডাৰ কেপ কেনাডেৰালৰপৰা যোৱা বছৰৰ ২৬ নৱেম্বৰত মঙল অভিমুখে উৎক্ষেপন কৰা হৈছিল কিউৰ'ছিটিক। ঘণ্টাত ২০,৯২১ কিলোমিটাৰ বেগেৰে ধাৱিত হৈ দেওবাৰে মঙলৰ নিচেই কাষ চাপিছিল ৰ'ভাৰ যানখন। তেতিয়াৰপৰাই যানখনৰ সফল অৱতৰণৰ সম্ভৱনাক লৈ উৎকণ্ঠাৰ শেষ নোহোৱা হৈছিল নাছাৰ বিজ্ঞানীসকলৰ মনত। ঘণ্টাত ২০ হেজাৰ কিলোমিটাৰতকৈও অধিক বেগত ধাৱিত যানখনৰ গতিবেগ প্ৰতি ছেকেণ্ডত এক মিটাৰলৈ হ্ৰাস কৰি মঙলৰ পৃষ্ঠত কোনো হানি-বিঘিনি নোহোৱাকৈ অৱতৰণ কৰোৱাটো বিজ্ঞানীসকলৰ বাবে হৈ পৰিছিল অত্যন্ত প্ৰত্যাহ্বানমূলক। অৱশেষত সকলো প্ৰত্যাহ্বান আঁতৰাই নাছাৰ নিয়ন্ত্ৰণ কক্ষৰপৰা প্ৰেৰিত নিৰ্দেশৰ ভিত্তিত মঙলৰ বুকুত দুবছৰীয়া অভিযানৰ পৰিক্ৰমাৰে সঠিকভাৱে নামিল ৰ'ভাৰ যান কিউৰ'ছিটি। ❖❖❖

# বিগত শতাব্দীৰ অন্যতম শ্ৰেষ্ঠ গায়ক বব ডিলান

ৰংগৰাজ ভাগৱতী
স্নাতক তৃতীয় বৰ্ষ (কলা)



*"Well, if you are travelling in the north country, fare*
*Where the winds heat heavy on the bor- derline*
*Remember me too one who lives there....."*

বিগত শতাব্দীত প্ৰেম আৰু বিৰহৰ, সপোন ভগা-গঢ়াৰ, মৰম আৰু বিষাদৰ এই "Girl of the North Country" নামৰ বিখ্যাত গানটোৰে পৃথিৱীৰ চৌপাশে লক্ষ লক্ষ মানুহৰ কৰুণ হৃৎস্পন্দনক দ্ৰুততৰ কৰি তুলিছিল শতিকাটোৰ অন্যতম শ্ৰেষ্ঠ গায়ক বব ডিলানে। ১৯৪১ চনৰ ২৪ মে'ত এটা ইহুদি-আমেৰিকান পৰিয়ালত জন্ম হৈছিল বিংশ শতাব্দীৰ অন্যতম পৃথিৱী কঁপোৱা দুৰ্ধৰ্ষ গায়ক বব ডিলানৰ। লোহাৰ ব্যৱসায় কৰা দেউতাকৰ সন্তান ববৰ শৈশৱ-কৈশোৰত ঘটা নাছিল তেনে কোনো উল্লেখযোগ্য ঘটনা। ২০০১ চনত "Things have changed" গানটোৰ বাবে বব ডিলানে লাভ কৰে অস্কাৰ। তাৰ চাৰি বছৰ সুদীৰ্ঘ বিৰতিৰ পিচত প্ৰকাশিত হৈছে তেখেতৰ শেহতীয়া এলবাম 'LOVE AND THEFT'। পৃথিৱীৰ কোটি কোটি মানুহৰ মন-প্ৰাণ জিনিব পৰা বব ডিলানক কোনো কোনোৱে জীৱিত গায়কসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ আখ্যা দিয়ে। কেৱল ইংলেণ্ড, আমেৰিকাই নহয়; বাংলাদেশৰ দৰে দেশতো বব ডিলান এতিয়া বহু চৰ্চিত নাম। এসময়ত যাৰ গীটাৰ বজোৱা শুনি 'বিটলছ' গ্ৰুপৰ বন্ধু জৰ্জ হেৰিচন মুগ্ধ হৈছিল, সেই বব ডিলানৰ গান আৰু কণ্ঠত আছে ৰহস্যময়, অনিৰ্বচনীয় শিহৰণ, অটল, দুৰ্মূল্য গাম্ভীৰ্য। এই ডিলানৰ গানেই আমেৰিকা-ভিয়েটনামৰ যুদ্ধৰ সময়ত যুদ্ধবিৰোধী আন্দোলন আৰু সামাজিক অধিকাৰ ৰক্ষা আন্দোলনৰ প্ৰাণপ্ৰবাহ হৈ উঠিছিল। বব ডিলান হ'ল একেধাৰে গীতিকাৰ, সুৰকাৰ আৰু বিপ্লৱী গায়ক। 'Blowing in the Wind', 'The Times Day and a Changing', 'Life a Rolling Stone' আদি বব ডিলানৰ কেইটামান বিশ্ববিখ্যাত গান; যিকেইটাই ৬০ৰ দশকৰ সহস্ৰ আমেৰিকান তৰুণ-তৰুণীৰ হৃদয়ত ঝংকাৰ তুলিছিল। তেওঁলোকৰ অভিজ্ঞতাৰ আৰু হৃদয়াৱেগৰ স্বপ্নাৱিষ্ট প্ৰাণস্পন্দন আৰু দুৰ্জয় জীৱন স্পন্দনৰ অম্লান গাঁথা হৈ পৰিছিল বব ডিলানৰ দুৰ্ধৰ্ষ কণ্ঠ।

বব ডিলানৰ জন্ম হৈছিল মিনেষ্টাৰৰ ডুলান নামৰ ঠাইত। তেওঁ আনুষ্ঠানিক সংগীত শিক্ষা লোৱা নাছিল। কম বয়সতেই নিজেই সংগীত আয়ত্তলৈ অনাৰ কঠোৰ পৰিশ্ৰমেৰে পৰিশ্ৰম আৰু অধ্যৱসায়ৰ অসামান্য উদাহৰণ তেওঁ দেখুৱাইছিল। দীৰ্ঘ পথপৰিক্ৰমা অতিক্ৰমি ডিলানে আজিও অব্যাহত ৰাখিছে এই কঠোৰতম অধ্যৱসায়। ১৫ বছৰ বয়সতে বব ডিলানে নিউয়ৰ্কলৈ আহে আৰু তাৰ 'গ্ৰীণহাউচ ভিলেইজ কফি হাউচ'ত সংগীত পৰিৱেশন কৰে। সেয়াই আছিল আৰম্ভণি। তাৰ পিচত আৰু পিচলৈ ঘূৰি চোৱা নাছিল এই দুৰন্ত তৰুণজনে। ডিলানে অতি সোনকালেই অকল্পনীয় জনপ্ৰিয়তা অৰ্জন কৰে। তেওঁৰ দূৰদৰ্শনৰ কনচাৰ্টো আছিল গায়াধৰ্মীয় লোক-গাঁথা আৰু প্ৰাচীন লোক-কাহিনীৰ ওপৰত। সত্তৰৰ দশকৰ শেষৰ ফালে আৰু আশীৰ দশকৰ প্ৰথমৰ ফালে গান লিখিছিল, যিবোৰ ৰেকৰ্ড কৰি থোৱা হৈছিল। Writing and Drawing (1973) হৈছে ডিলানৰ গান, কবিতা আৰু কৈশোৰত অঁকা অনুভূতিপ্ৰৱণ চিত্ৰ কিছুমানৰ দুষ্প্ৰাপ্য সংকলন। ষাঠীৰ দশকত আমেৰিকাৰ সামাজিক, সাংস্কৃতিক আন্দোলনক যিকেইজন গায়কৰ গানে তীব্ৰ গতিবেগ প্ৰদান কৰিছিল, তাৰে অন্যতম আছিল বব ডিলান। শিল্প, জীৱন, ৰহস্য, ক্লান্তি, চহৰ, যুদ্ধ, ধৰ্ম— এই সকলোবোৰ স্নিগ্ধ জোনৰ পোহৰৰ দৰে ভাস্বৰ হৈ উঠিছিল বব ডিলানৰ অতুলনীয় কণ্ঠত। বহুতো তথাকথিত বিশেষজ্ঞই ডিলানৰ বিদ্ৰোহী গানবোৰক তৃতীয় শ্ৰেণীৰ অশিক্ষিত লোকে লিখা কাব্য আখ্যা দিছিল। কিন্তু ১৯৯৯ চনত সাহিত্যত ন'বেল বঁটা প্ৰাপকসকলৰ তালিকাত ডিলানৰ নামো আছিল। কিয় গান গাবলৈ ল'লে? —এই প্ৰশ্নৰ উত্তৰত বিগত শতিকাৰ অন্যতম গায়কজনে কয় যে— তেওঁ আন একো কৰিবলৈ অক্ষম আৰু প্ৰতিভাহীন। সেয়ে হয়তো তেওঁ এই গায়ক জীৱন বাছি ল'লে।

সুৰৰ ক্ষেত্ৰত বব ডিলানে ফক, জৰ্জ আৰু ব্লুজ আত্মস্থ কৰি তাৰ লগত ৰক এণ্ড ৰ'লৰ মিলন ঘটাই নিজস্ব সুৰ গঢ়ি তুলিলে। এইবোৰ লোকগীতৰ দৰে সুন্দৰ, সহজবোধ্য আৰু গতিময়। পৃথিৱীবিখ্যাত 'বিটলছ গ্ৰুপ' সম্বন্ধে বব ডিলানে কৈছিল— "জৰ্জ হেৰিচনে যিমান দৃঢ়তা আৰু দক্ষতাৰে গীটাৰ বজাইছিল, মই চিৰদিন তেওঁৰ মন্ত্ৰমুগ্ধ প্ৰশংসক হৈ থাকিম।" "জন লেননৰ কিতাপ 'In his own write' পঢ়ি মই অত্যন্ত উৎসাহিত হৈছিলোঁ। সেই উৎসাহতে মই 'টেৰাণ্টুলা' কিতাপখন লিখিছিলোঁ।" জীৱন সম্পৰ্কে তেখেতে কয়— "প্ৰতি মুহূৰ্ততে মই নিজকে অতিক্ৰম কৰাৰ চেষ্টা কৰোঁ। মোৰ মতে এয়াই জীৱন।" বব ডিলানৰ কেইটামান অতি জনপ্ৰিয় আৰু পৃথিৱী বিখ্যাত গান হ'ল— 'Forever Young', 'Masters of War', 'Girl of the North Country', 'It is all Right', 'Like a Woman' ইত্যাদি।

আমেৰিকা-ইৰাক যুদ্ধৰ সময়ত দেশে দেশে হোৱা প্ৰতিবাদী সমাৰেশত মানুহে বব ডিলানৰ যুদ্ধ বিৰোধী গানবোৰেৰেই আকাশ-বতাহ মুখৰিত কৰি তুলিছিল। লক্ষ লক্ষ মানুহে বব ডিলানৰ গানেৰেই উদ্দীন ৰাখিছে প্ৰতিবাদৰ ৰক্তৰঞ্জিত ধাৰাল পতাকা—

Come you masters of war
You that build the guns
You that build the big bomba
You that hide behind walls
You that hide behind desks
I just want you to know
I can see through your Masters.

(Masters of War) ❖❖❖

# অতীতক নাযাৱা পাহৰি

খগেন বায়ন

কবি যতীন্দ্ৰনাথ দুৱৰাৰ দুটি হৃদয়ত হেন্দোলনি তোলা কবিতা হ'ল— 'অতীতক নাযাবা পাহৰি' আৰু আনটি হ'ল 'অতীতক যোৱাহে পাহৰি'। অতীতৰ মধুৰ স্মৃতিবোৰে মানৱ জীৱনত শান্তিৰ নিজৰা বোৱায়। আমাৰ অসমীয়া কথিত ভাষাত কয়— 'ভালে পায় ভালক, জাবৰে পায় খালক।' বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ৪৮ বছৰীয়া ইতিহাসৰ পাত লুটিয়াই চালে বহুতো তিতা-কেহা অভিজ্ঞতাই মন ভাৰাক্ৰান্ত কৰে। বিৰোধৰ জোৱাৰবোৰক জাবৰ খালত পেলাই দিয়াই সমীচীন গণ্য কৰিছোঁ। ভাল ভাল কথাবোৰক হৃদয়ংগম কৰিবৰ চেষ্টা কৰিছোঁ। বকো অঞ্চলৰ ৰাইজৰ ঐকান্তিকতা, সাহস, কৰ্মস্পৃহা, মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সময়ৰ অধ্যক্ষ, অধ্যাপক, ৰাইজ, ছাত্ৰ-ছাত্ৰীৰ ত্যাগৰ ইতিহাস মনত ৰাখিবৰ চেষ্টা কৰিছোঁ। কলেজ স্থাপন কৰাত বিৰোধ কৰা লোক নাছিল বুলি ক'ব নোৱাৰি। 'বকোত কলেজ কৰে। ইমান সাহস প্ৰবীণ চৌধুৰীৰ' বুলি ইতিকিং কৰা মানুহো আছিল। এচাম উৎসাহী গঠনমূলক কৰ্মীয়ে বকো সমষ্টিৰ সেই সময়ৰ বিধায়ক, পৰিবহণ মন্ত্ৰী স্বৰ্গীয় প্ৰবীণ কুমাৰ চৌধুৰীৰ আশাশুধীয়া চেষ্টা, কৰ্মপটুতা আৰু অনুপ্ৰেৰণা, মহাবিদ্যালয়ৰ ধন সংগ্ৰহৰ বাবে বকো-ছমৰীয়া পথৰ ঠিকা লোৱা, অঞ্চলৰ ৰাইজৰ ঘৰে ঘৰে গৈ দান-বৰঙণি সংগ্ৰহ কৰা, কলেজৰ ঘৰ বন্ধা কামত মুক্তিযোদ্ধা স্বৰ্গীয় জনাৰ্দন শৰ্মাই নানা কটু কথাৰ সন্মুখীন হৈয়ো দিনৰ পিচত দিন মিস্ত্ৰী, কাম কৰা মানুহক তদাৰক কৰা কথাবোৰ পাহৰিলে অকৃতজ্ঞতাৰ দোষে চুব।

কলেজ প্ৰতিষ্ঠাৰ সময়ত স্কুল ছুটীৰ পিচত বকো হাইস্কুলতে কলেজৰ শ্ৰেণী বহিছিল। গধূলি হ'লে হেচেক লাইট জ্বলোৱা হৈছিল। বকো হাইস্কুলৰ চকীদাৰ স্বৰ্গীয় যাদৱ কলিতাই অধিকাৰী ছাৰৰ নিৰ্দেশত বিনা বেতনে যাৱতীয় কাম কৰিছিল। বকো আঞ্চলিক যুৱক সংঘৰ কাৰ্যালয়টো মহাবিদ্যালয়ৰ কাৰ্যালয় আৰু শিক্ষকৰ জিৰণি কোঠা আছিল। পুথিভঁৰাল হিচাপে আঞ্চলিক যুৱক সংঘত থকা কিতাপবোৰ আৰু বিভিন্ন বিদ্যানুৰাগী লোকৰ ওচৰলৈ গৈ কলেজ পুথিভঁৰালৰ বাবে আৱশ্যকীয় কিতাপ সংগ্ৰহ কৰা হৈছিল। বকো হাইস্কুলৰ প্ৰধান শিক্ষক স্বৰ্গীয় অচ্যুৎকান্ত অধিকাৰী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু অবৈতনিক অধ্যক্ষ আছিল। ইংৰাজী অধ্যাপকৰ অভাৱত অধিকাৰী ছাৰেও কিছুদিন পাঠদান কৰিছিল। মহাবিদ্যালয়ৰ অধ্যাপককেইজনক প্ৰত্যেককে মাহিলি বেতন এশ টকাকৈ দিয়া হৈছিল। তাৰে আকৌ কলেজৰ বাবে বৰঙণি বিশ টকাকৈ ৰখা হৈছিল। দৰমহা পাইছিল আশী টকাহে।

কলেজৰ শ্ৰেণী আৰম্ভ হোৱাৰ সময়ত অৰ্থবিজ্ঞানৰ অধ্যাপক শ্ৰীশৰৎ চন্দ্ৰ তালুকদাৰে বকো হাইস্কুলত শিক্ষকতা কৰাৰ উপৰিও কলেজত অৰ্থবিজ্ঞানৰ পাঠদান কৰিছিল। অসমীয়াৰ অধ্যাপক হিচাপে নিযুক্তি পোৱা শ্ৰীবসন্ত কুমাৰ দত্তই একাণপটীয়াকৈ মহাবিদ্যালয়ৰ শ্ৰেণীত পাঠদান কৰাৰ উপৰিও কলেজৰ কাৰ্যালয়ৰ যাৱতীয় কাম কৰিছিল। সময়ত দত্তই মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ আসন অলংকৃত কৰি অৱসৰ গ্ৰহণ কৰে। পানেৰী গাঁৱৰ বকো হাইস্কুলত শিক্ষকতা কৰা স্বৰ্গীয় মুহিন চন্দ্ৰ কলিতাই ছয়গাঁও হাইস্কুলৰপৰা মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈয়ো গৰীৱতাৰ যুৱলি কান্ধত লৈ জীৱন যাপন কৰিবলগীয়া হোৱা বাবে গুৱাহাটীলৈ গৈ কলেজত পঢ়াৰপৰা বঞ্চিত হৈ ছাত্ৰ জীৱনৰ ওৰ পেলাই বকো হাইস্কুলত শিক্ষকতা কৰিছিল। কলিতাই ৰাতিৰ কলেজত পঢ়াৰ সুবিধা পাই প্ৰথম দলৰ ছাত্ৰ হিচাপে ডিষ্টিংচন সহকাৰে বি. এ. পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজৰ গৌৰৱ বঢ়ায়। কলিতাই বকো হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে।

শ্ৰীশৰৎ চন্দ্ৰ তালুকদাৰৰ লগত আমি বকো অঞ্চলৰ বহু ঠাইলৈ অৰ্থ সংগ্ৰহৰ বাবে যাবলগীয়া হৈছিল। আমাৰ যাতায়াতৰ বাহন আছিল চাইকেল। তালুকদাৰৰ নিজৰ চাইকেল আছিল। মোক এখন চাইকেল কলেজৰপৰাই অধিকাৰী ছাৰে কিনি দিছিল। বহুদিনলৈ সেই চাইকেলখন ভগা-ছিগা অৱস্থাত কলেজৰ পিচফালৰ বাৰাণ্ডাত

পৰি আছিল। সময়ত তাৰ চিন-চাব নোহোৱা হ'ল। সেই সময়ত বকো হাইস্কুলত শ্ৰীসৰ্বেশ্বৰ মহন্তই দ্বিতীয়গৰাকী হিন্দী শিক্ষক হিচাপে নিযুক্তি পাইছিল। প্ৰায় এবছৰ তেওঁ ৰুটিনত থকা মোৰ শ্ৰেণীবোৰতো পাঠদান কৰিছিল। অধিকাৰী ছাৰৰ নিৰ্দেশমতে মই কলেজৰ নামত ঠিকা লোৱা ছমৰীয়াৰপৰা সোণতলীলৈ যোৱা পথৰ মাটি তোলা কামবোৰ চোৱা-চিতা কৰাৰ বাবে যাবলগীয়া হৈছিল। ঠিকা স্বৰ্গীয় প্ৰবীণ কুমাৰ চৌধুৰীৰ সৌজন্যত লোৱা হৈছিল। এই কামত সহযোগ কৰিছিল অধ্যাপক শ্ৰীশৰৎ চন্দ্ৰ তালুকদাৰে। আমিয়েই নহয়, আৰু বহুতো উৎসাহী লোক, শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে কলেজৰ বাবে ধন সংগ্ৰহ কৰিবলৈ বকো অঞ্চলৰ বিভিন্ন ঠাইলৈ যোৱা কথাবোৰ পাহৰিলে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অকৃতজ্ঞতাৰ দোষে চুব।

স্বৰ্গীয় প্ৰবীণ চৌধুৰীৰ আহ্বানত কটন কলেজৰ ইংৰাজী বিষয়ৰ অধ্যাপক শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ বকোলৈ আহি মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব লয়। অধ্যক্ষ নাথে বকো মহাবিদ্যালয়ৰ বাবে কৰা ত্যাগো স্মৰণীয় হৈ থাকিব। যদি নাথ কটন কলেজত থাকিলহেঁতেন, হয়তো সময়ত অসম চৰকাৰৰ শিক্ষা বিভাগৰ উচ্চ পদস্থ বিষয়া হিচাপে এটি শকত পেঞ্চনৰ গৰাকী হৈ অৱসৰ জীৱন যাপন কৰিব পাৰিলেহেঁতেন। শ্ৰীনাথৰ ত্যাগৰ স্বীকৃতি বকোৱে নিশ্চয় দিব। শ্ৰীনাথ অধ্যক্ষ হৈ অহাৰ পিচত স্বৰ্গীয় প্ৰবীণ কুমাৰ চৌধুৰীৰ কৰ্মপ্ৰেৰণা আৰু নেৰানেপেৰা চেষ্টাৰ ফলতে মাত্ৰ ৬৪ গৰাকী ছাত্ৰ-ছাত্ৰীৰে মহাবিদ্যালয়খনে চৰকাৰৰ স্বীকৃতি লাভ কৰে। জনজাতীয় এলেকাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠানখনিক অসম চৰকাৰে কৃপাদৃষ্টিৰে চাবলৈ বাধ্য হৈছিল স্বৰ্গীয় প্ৰবীণ কুমাৰ চৌধুৰীৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলতে।

গঠনমূলক কামত লাগি থকা কৰ্মীসকলৰ মাজত যে কেতিয়াবা কথাৰ কটা-কটি নহৈছিল এনে নহয়; খোকা-খুন্দা লাগিছিল নিজৰ দাঁতে-ওঁঠে লগাৰ দৰে। কিন্তু সেয়া আছিল ধানখেৰৰ জুই। তুঁহ জুইৰ দৰে উমি উমি জ্বলি থকা জুই নাছিল। তিতা অভিজ্ঞতাবোৰ মিঠাত পৰিণত কৰা হৈছিল গঠনমূলক দৃষ্টিভংগীৰে।

স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী বিশ্ববন্দিত নেতা জৱাহৰলাল নেহৰু ভাৰত মুক্তি আন্দোলনৰ সময়ত বকোলৈ দুবাৰ আহি বকো ৰাইজৰ স্বাধীনতাৰ বাবে কৰা ত্যাগৰ স্মৰণ কৰিছিল। সেইগৰাকী পণ্ডিত জৱাহৰলাল নেহৰুৰ স্মৃতি যুগমীয়া কৰাৰ বাবে বকোত স্থাপিত হোৱা মহাবিদ্যালয়খনক বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় নামকৰণ কৰি বকো অঞ্চলবাসীয়ে গৌৰৱ অনুভৱ কৰে। আৰম্ভণীতে প্ৰবল ধুমুহাৰ গ্ৰাসত পৰি কলেজৰ ঘৰ-দুৱাৰ বিধ্বস্ত হৈছিল। কিন্তু অধ্যক্ষ, অধ্যাপক, অন্যান্য কৰ্মীসকলৰ মন ভাগি পৰা নাছিল। পুনৰ নতুন উদ্যমেৰে দান-বৰঙণি সংগ্ৰহ কৰি গৃহ নিৰ্মাণ কৰিছিল। শিক্ষক আৰু অন্যান্য কৰ্মীসকলে অতীতৰ তিতা-কেহা অভিজ্ঞতাবোৰ পাহৰি গৈছে— কবি যতীন্দ্ৰনাথ দুৱৰাৰ 'অতীতক যোৱাহে পাহৰি' কবিতা স্মৰণ কৰি। ভৱিষ্যতৰ সপোন দিঠকত পৰিণত কৰাৰ বাবে এই শিক্ষানুষ্ঠানটিয়ে অসমৰ এখন উজ্জ্বল মহাবিদ্যালয়ৰ চানেকী দাঙি ধৰাৰ কামনা বকোবাসীয়ে কৰিছে।

মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সময়ত কেতবোৰ লোকৰ সহায়-সহযোগ, সহানুভূতিৰ কথা পাহৰিলে অকৃতজ্ঞতাৰ দোষে চুব। মনত পৰে ভালুকঘাটাৰ স্বৰ্গীয় সত্য মহন্তৰপৰা টকা ধাৰলৈ আনি শিক্ষক-কৰ্মচাৰীক দৰমহা দিয়া কথাবোৰ। স্বৰ্গীয় মহন্তৰ বিশ্বাস আৰু বদান্যতাৰ স্মৰণ মহাবিদ্যালয়ৰ স্মৃতিপটত নিশ্চয় লিখা থাকিব। ১৯৬৪ চনত প্ৰায় এবছৰ বকো হাইস্কুলত কলেজৰ শ্ৰেণী চলাৰ পিচত বৰ্তমানৰ স্থানলৈ কলেজ স্থানান্তৰিত হয়। বৰ্তমান মহাবিদ্যালয়খন ঘৰে-দুৱাৰে, খেলপথাৰে জয়জয়-ময়ময় হৈছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমে ক্ৰমে বাঢ়ি গৈছে। স্থান দিব নোৱাৰা পৰিস্থিতি হৈছে। সাংস্কৃতিক দিশতো ছাত্ৰ-ছাত্ৰীয়ে কলেজৰ গৌৰৱ বঢ়াইছে। উত্তীৰ্ণৰ হাৰো চকুত লগা বিধৰ হৈ আহিছে। কলা আৰু বিজ্ঞানৰ শ্ৰেণীৰে কলেজ জকমকীয়া হৈছে। আমি কলেজৰ কেবাখনো সভাত কৈছোঁ— মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা, কৃতী ছাত্ৰ-ছাত্ৰীৰ স্মৃতি ৰক্ষাৰ বাবে তেওঁলোকৰ একোখন ফটো শিক্ষকৰ জিৰণি কোঠাত ৰখাৰ কথা। এই ছবিবোৰ ভৱিষ্যতৰ বাবে স্মৰণীয় হৈ থাকিব আৰু ছাত্ৰ-ছাত্ৰীক উৎসাহ-উদ্দীপনা, প্ৰেৰণা যোগাই থাকিব। বকোৰ গৌৰৱ কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ভুৱনেশ্বৰী বৈশ্যই সাধ্যানুসাৰে মহাবিদ্যালয়লৈ দিয়া দানৰ স্বীকৃতি নিদিলে মহাবিদ্যালয় কৰ্তৃপক্ষক জানো অকৃতজ্ঞতাৰ দোষে নুচুব? ক্ৰমে ক্ৰমে মহাবিদ্যালয়খনিয়ে সোণালী জয়ন্তীৰ পদুলিত থিয় হ'বলৈ অগ্ৰসৰ হৈছে। সোণালী জয়ন্তীৰ সোণালী ভৱিষ্যতৰ উজ্জ্বল নক্ষত্ৰ হৈ শ শ বছৰ জুৰি বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে গৌৰৱৰ ধ্বজা উৰুৱাই থাকক। অতীতক স্মৰণ কৰি ভৱিষ্যত সপোন দিঠকত পৰিণত কৰাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ, অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীক আহ্বান জনালোঁ। অতীতৰ ত্যাগৰ সোঁৱৰণেই ভৱিষ্যৎ উন্নতিৰ দাপোণ। অতীতৰ স্মৃতিৰে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় কৰ্তৃপক্ষ, অধ্যক্ষ-অধ্যাপক, অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলে এই অনুষ্ঠানটিক উজ্জ্বলৰপৰা উজ্জ্বলতৰ কৰি তোলাৰ কামনাৰে লিখনি সামৰিলোঁ। ❖❖❖

ব্যংগ ৰচনা ঃ

# শালীনতা

সঞ্জয় মেধি
স্নাতক দ্বিতীয় বৰ্ষ

প্ৰিয় পাঠক-পাঠিকা, শুনি আচৰিত হ'ব আজিৰ যুগতো শালীনতাৰ সীমা বিচাৰি হাবাথুৰি খোৱা লোক আছে। তাকো এইখন অসমতে। যিখন অসমত ভূ-খণ্ডৰ সীমা বিচাৰি পাবলৈ নাই, যিখন অসমত হত্যাৰ সীমা বিচাৰি পাবলৈ নাই, যিখন অসমত উগ্ৰপন্থী সংগঠনৰ সংখ্যাৰ সীমা বিচাৰি পাবলৈ নাই, যিখন অসমত ৰাজনৈতিক দলৰ সংখ্যাৰ সীমা বিচাৰি পাবলৈ নাই; সেইখন অসমত শালীনতাৰ সীমা বিচৰাটো সঁচাকৈয়ে অতি গুৰুত্বপূৰ্ণ কথা। সঁচা কথাটো হ'ল, অসমত শালীনতাৰ সীমা লাহে লাহে নোহোৱা হৈ গৈছে। এই সীমাৰ পৰিধি ভেদ কৰি বহুতো অশালীন অসমত সোমাইছে। যাৰ ফলত ককায়েক-ভায়েক-ভনীয়েকৰ লগত একেখন চিনেমাকে চাব নোৱাৰা হ'ল, একেখন আলোচনীকে পঢ়িব নোৱাৰা হ'ল। মাক-বাপেক, পুতেক-জীয়েক একেলগে দূৰদৰ্শনৰ আগত বহিব নোৱাৰা হ'ল। একেলগে ফুৰিবলৈ যাব নোৱাৰা হ'ল। চাওকচোন কেনে সাংঘাটিক পৰিস্থিতিৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত আলোচনা কৰিলে কি পাওঁ চাওঁকচোন।

শালীনতা শব্দটোৰ আভিধানিক অৰ্থ হ'ল— নম্ৰতা বা ভদ্ৰতা বা লজ্জাশীলতা (আধুনিক অসমীয়া অভিধান, অসম প্ৰকাশন পৰিষদ)। গতিকে আমি যদি অনম্ৰ, অভদ্ৰ অথবা অলজ্জাশীল হৈ পৰোঁ, তেন্তে আমাক অশালীন বুলি কোৱা হ'ব।

কিন্তু আমি দেখোন অসমত নম্ৰ, ভদ্ৰ আৰু লজ্জাশীল মানুহ লগেই পোৱা নাই। অৱশ্যে দুদিনমান আগতে তেনে কেইজনমান মানুহ আছে বুলি গম পালে। জানি অত্যন্ত শোক পালোঁ। কাৰণ তেওঁলোকে দিন কটাবলগীয়া হৈছে অত্যন্ত অশালীন মানুহৰ মাজত। দেৱৰাজ ইন্দ্ৰ বা ভগৱান বিষ্ণুৱেই সেই কথা গম পোৱা হ'লে তেখেতক নিশ্চয় তৎক্ষণাৎ স্বৰ্গলৈ লৈ গ'লহেঁতেন। মই পাৰ্যমানে দেৱলোকলৈ যোগাযোগ কৰাৰ প্ৰচেষ্টা চলাই আছোঁ। প্ৰিয় পাঠক, আপুনিও যত্ন কৰিবচোন। যদি ঠিকনাটো পায় আমাক জনাব। সেই যে সেনাবোৰে অসমৰ ১২ বছৰীয়া ছোৱালীৰপৰা আৰম্ভ কৰি ৬০ বছৰীয়া বুঢ়ীলৈকে কোনো ভেদাভেদ নৰখাকৈ ধৰ্ষণ কৰিলে, সেইবোৰ কথা সকলোৱে শুনিছে আৰু বাতৰি কাকতত পঢ়িছে। সেয়া জানো শালীনতাৰ ভিতৰত পৰিল। অৱশ্যে শালীনতাৰ সংজ্ঞা বিচাৰি পোৱাসকলৰ বাবে পৰিবও পাৰে।

এইখন অসমতে দেহ বেপাৰৰ নামত এজাক গাভৰুৱে যিখন কাণ্ড কৰি আছে, সেয়া জানো কাৰোবাৰ অবিদিত। কিন্তু মাত মাতিবলৈ গ'লে তপত বুলেটৰ সোৱাদ ল'বলগীয়া হয় বুলি আমি বোন্দা মেকুৰীৰ দৰে আঁতৰে আঁতৰে আছোঁ। এইবোৰ শালীনতাৰ ভিতৰত নহয় নিশ্চয়।

আমি সকলোৱে জানো যে, যুৱ উচ্ছৃংখলতাৰ কাৰণ হ'ল যৌন জ্ঞানৰ অভাৱ। কাকতে-পত্ৰই এই কথাবোৰ আমি পঢ়িবলৈ পাওঁ। আমি যদি লজ্জাশীল হৈ যৌন জ্ঞানবোৰ নলওঁ, তেন্তে কি পৰিস্থিতি হ'ব, শালীনতাৰ সংজ্ঞা জনাসকলে এবাৰ ভাবি চাওকচোন।

ছাত্ৰই শিক্ষকৰ আগত অশ্লীল মাত মাতে, সৰুৱে ডাঙৰৰ সন্মুখতে অশালীন ব্যৱহাৰ কৰে। কোম্পানীবোৰে তেৰাসবৰ বস্তুবোৰৰ বিক্ৰী বঢ়াবলৈ অৰ্ধউলংগ যুৱতীৰ সহায়ত বিজ্ঞাপন দিয়ে। এইবোৰ কি শালীনতাৰ সীমাৰ ভিতৰতনে? কিন্তু শালীনতাৰ সীমাৰ বিষয়ে জনা মানুহক আমি কোনোদিনে এইবোৰৰ বিৰোধিতা কৰা দেখা বা শুনা নাই।

এডাল্ট বা প্ৰাপ্তবয়স্ক মোহৰযুক্ত ইংৰাজী বা হিন্দী চিনেমাখনৰ পোষ্টাৰ চাই চকু থৰ লগা ব্যক্তিয়েও কেতিয়াবা অশালীন বুলি ভাল চিনেমাখনৰ পোষ্টাৰো নাচায়? আমাৰ অসমত এনে ককায়েক-ভনীয়েক বা ককায়েক-ভায়েক আছে, যিসকলে বেলেগে বেলেগে এডাল্ট মোহৰযুক্ত চিনেমা চাই আহি শালীনতাৰ সংজ্ঞা বিচাৰি হাবাথুৰি খাই ফুৰে। এডাল্ট চিনেমাখনত নিশ্চয় পৰিৱেশ সম্পৰ্কীয় নাইবা নিবনুৱা সমস্যা দূৰীকৰণ সম্পৰ্কীয় নাইবা ৰোগৰ প্ৰতিষেধক সম্পৰ্কীয় শিক্ষা নিদিয়ে। আজিকালি যি কোনো ধৰণৰ চিনেমাতে

অৰ্ধউলংগ যুৱতীৰ পয়োভৰ দেখা যায়। সেইবোৰ শালীনতাৰ সীমাৰ ভিতৰত ধৰি লৈ চিনেমা চাই আহি ৰাস্তাত চিনেমাখনৰ সম্পৰ্কে আলোচনা কৰি থকাসকলক অশালীন বুলি সমালোচনা কৰা ভদ্ৰলোকো এইখন অসমতে আছে।

আজিকালি প্ৰায়বোৰ আলোচনীৰে শেষ পৃষ্ঠাত প্ৰায় উলংগ যুৱতীৰ ফটো দেখা যায়। আমাৰ মৰমৰ ভাইটি-ভণ্টিসকলেও আলোচনী এখন কিনি প্ৰথমতে শেষ পৃষ্ঠাৰ ফটোখনহে চাই লয়। এই সম্পৰ্কে শালীনতাৰ সীমাৰ ভিতৰত বিচৰণ কৰাসকলে বা কি কয়?

আমি কথাবোৰ ব্যক্তিগতভাৱে চিন্তা নকৰি সামগ্ৰিকভাৱে চিন্তা কৰা উচিত বুলি বহুতে কয়।

ৰাস্তাত বিচৰণ কৰি ফুৰা অৰ্ধউলংগ অৰ্থাৎ কৰঙণ, তপিনা, স্তনৰ এফাল আৰু পেটটো উলিয়াই লৈ বিচৰণ কৰি ফুৰা যুৱতীক নয়নভৰি চাই, ওচৰে-পাঁজৰে মানুহ-দুনুহ নেদেখিলে অশ্লীল বাক্যবাণ নিক্ষেপ কৰা লোকৰ সংখ্যা অসমত কমনে? সেই যুৱতীসকলক অশালীন বুলি কোৱা লোক অসমত ওলাবনে? নোলাব নিশ্চয়; কিন্তু তেওঁলোকৰ বিষয়ে ৰচনা এখন লিখিলে প্ৰতিবাদ কৰা মানুহ আৰু অশালীন বুলি সমালোচনা কৰা মানুহ এজন হ'লেও ওলাব।

পাৰ্কত নেগুৰত নেগুৰ লগাই বহিবলৈ নিজৰ ভাই-ভনীক উৎসাহিত (বাধা নিদিয়াটোৱে উৎসাহিত কৰাকে নুবুজায় জানো?) কৰিব লাগে; কিন্তু সেই সম্পৰ্কে লিখা প্ৰবন্ধ বা ব্যংগ লেখাক তীব্ৰ সমালোচনা কৰিব লাগে। কিন্তু যিসকল প্ৰকৃত জ্ঞানী, যিসকলে ব্যংগৰ মৰ্মাৰ্থ উপলব্ধি কৰিব পাৰে, যিসকলে ব্যংগৰ লগত থকা প্ৰতিবাদী মনোভাব বুজিব পাৰে, সেইসকলে হৈ-চৈৰ সৃষ্টি কৰা দেখা নাযায়। তেওঁলোকে বাছ-বিচাৰ কৰিব জানে; গতিকে তেওঁলোকে মাক-দেউতাক, শিক্ষক, ভাইটি-ভণ্টিৰ লগত 'বেণ্ডিত কুইন' চাবলৈও কুণ্ঠাবোধ নকৰে। আপোনজনৰ লগত তফাৎ ৰখাটো উচিত নহয় বুলি তেওঁলোকে বুজে। তফাৎ ৰাখিলে সেই তফাৎ ক্ৰমান্বয়ে যে বৃহৎ হৈ যায়, সেই কথা সেইসকলে বুজে।

যিসকলে নিজকে স্বভাৱত ভদ্ৰ বুলি পৰিচয় দিব খোজে বা যিসকলৰ গাত ঢেকা আছে বা যিসকলে সংসাৰৰ কথা আৰু বৰ্তমান সমাজ ব্যৱস্থাৰ কথা সমুলি নাজানে, তেওঁলোকেহে সঁচা কথাবোৰত খুঁত উলিয়াবলৈ যত্ন কৰে। যিবোৰ শব্দ অভিধানত আছে, সেইবোৰ শব্দকে ব্যৱহাৰ কৰি সঁচা ঘটনা এটা লিখোঁতে অশালীন বুলি কোৱাসকল কিমান বহল মনৰ মানুহ বুজা যায়। আগতে নিজৰ গাত চিকুট মাৰি চাই লৈহে আনক চিকুটিবলৈ যাব লাগে বুলি বিজ্ঞ লোকে কয়। গতিকে আগতে সামগ্ৰিক পৰিস্থিতিৰ শালীনতাৰ উৱাদিহ লৈহে মোৰ লেখাৰ শালীনতাৰ হিচাপ-নিকাচ কৰিবলৈ সদাশয় পাঠক-পাঠিকাসকলক অনুৰোধ জনাই এই লেখাৰ সামৰণি মাৰিলোঁ। ❖❖❖

# সুখৰ সন্ধানত

**বিদ্যুত কলিতা**
স্নাতক তৃতীয় বৰ্ষ

সুখ সকলোৱে কামনা কৰে; কিন্তু ইয়াক সহজে পোৱাটো টান। এজন মানুহ সুখী হ'বলৈ হ'লে আত্মসংযমী হোৱাটো একান্তই প্ৰয়োজন। কাৰণ দুখ আহে আমি কৰা ভুল কামবোৰৰ বাবে। আমি নভবা-নিচিন্তাকৈ কৰা কামবোৰে আমাক দুখৰ ৰাজ্যলৈ ঠেলি পঠিয়ায়। দুখৰ একমাত্ৰ ঘাই শিপাডাল হ'ল আৱেগ। আনহাতে সুখৰ মূল শিপাডাল হ'ল বিবেক। সুখী হ'বলৈ হ'লে মানুহে বিবেকেৰে কাম কৰিব লাগে। আমাৰ জীৱনৰ সকলো ঘটনা-পৰিঘটনাবোৰক যদি সহজভাৱে লওঁ, তেতিয়াহ'লে মানুহৰ জীৱনত দুখে কেতিয়াও ঠাই ল'ব নোৱাৰে। বিষাদগ্ৰস্ত মানুহ এজনে সদায় নিজৰ ওপৰতেই প্ৰতিশোধ ল'বলৈ বিচাৰে। আৱেগৰ আতিশয্যত মানুহৰ বিবেক শূন্য হয়। বিবেকক সক্ৰিয় কৰিবলৈ হ'লে নানা ধৰণৰ জ্ঞানৰ কিতাপ পঢ়াটো অতি প্ৰয়োজন।

তলত তিনিটা সুখত থকাৰ সহজ উপায় উল্লেখ কৰা হ'ল—

(ক) তোমাৰ কি নাই সেই বিষয়ে চিন্তা কৰাতকৈ তোমাৰ কি আছে, সেইটোৰ বিষয়ে চিন্তা কৰা।

(খ) তুমি কি জানা, তাতকৈ তুমি কি নাজানা, সেইটো জানিবলৈ চেষ্টা কৰা।

(গ) তুমি কি হেৰুৱালা, তাৰ বিষয়ে চিন্তা কৰাতকৈ তুমি কি পালা, তাৰ বিষয়ে চিন্তা কৰা। ❖❖❖